## ভিতৰৰ পৃষ্ঠাত

গৰমৰ বন্ধ — পৃষ্ঠা ৪
হোমৱৰ্ক আৰু পৰীক্ষাৰ... — পৃষ্ঠা ৫
শিশু সুৰক্ষা আৰু... — পৃষ্ঠা ৭
হত্যাৰ আৰব কাহিনী — পৃষ্ঠা ৮



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol:13 ■ Issue: 47 ■ Guwahati ■ Wednesday ■ 15 July, 2026 ■ Rs. 5 ■ বছৰ- ১৩ ■ সংখ্যা- ৪৭ ■ গুৱাহাটী ■ বুধবাৰ ■ ৩০ আহাৰ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা


### বিধানসভাত ভোটাৰ তালিকাৰ বিশেষ সংশোধনীৰ তথ্য দাখিল গৃহ বিভাগৰ

# ভোটাৰ তালিকাৰ পৰা কৰ্তন ১০.৮৯ লাখ

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** অসম বিধানসভাৰ শেহতীয়া নিৰ্বাচনৰ পূৰ্বে ৰাজ্যত সম্পন্ন হোৱা ভোটাৰ তালিকাৰ বিশেষ সংশোধনীত তালিকাৰ পৰা কৰ্তন কৰা হৈছে ১০,৮৯,২২২ গৰাকী ভোটাৰৰ নাম। অসম বিধানসভাৰ মজিয়াত বিধায়ক জাকাৰিয়া আহমেদৰ এক প্ৰশ্নৰ উত্তৰত গৃহ আৰু ৰাজনীতি বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰী কৰিছে এই তথ্য। বিধানসভাত দাখিল কৰা তথ্য অনুসৰি এছ আৰৰ জৰিয়তে সৰ্বাধিক ভোটাৰৰ নাম কৰ্তন হৈছে কাছাৰ জিলাত। জিলাখনৰ ৭৯,৪২৪ গৰাকী ভোটাৰৰ নাম কৰ্তন হৈছে। একেদৰে কোকৰাঝাৰ জিলাৰ ২৯,৭৬৪ গৰাকী, ধুবুৰী জিলাৰ ২১,৯৭৮ গৰাকী, গোৱালপাৰা জিলাৰ ২০,৯৩৬ গৰাকী, বঙাইগাঁও জিলাৰ ১৪,৩৪৮ গৰাকী, ■ ১১ পৃষ্ঠাত

## মধ্য-প্ৰাচ্যৰ যুদ্ধত সংকটৰ দিশে ভাৰতীয় অৰ্থনীতি

■ সোমনাথ বৰা

আমি সকলোয়েই ধাৰণা কৰিছিলো যে কাটাৰৰ মধ্যস্থতাত আমেৰিকা আৰু ইৰাণৰ মাজত দুমাহৰ বাবে যি যুদ্ধ বিৰতিৰ চুক্তি সম্পন্ন হৈছিল ইয়াৰ ফলত বিশ্ববাসীয়ে কিছু স্বস্তিৰ নিশ্বাস পেলাব পাৰিব। কিন্তু ইয়াৰ এক বিপৰীত ছবিহে বাস্তৱত দেখিবলৈ পালো। যোৱা ৮ জুলাইত নিশাটোৰ ভিতৰতে ইৰাণৰ বিভিন্ন গুৰুত্বপূৰ্ণ চহৰত নৱৈটাকৈ আক্ৰমণ চলাই মাৰ্কিন সেনাই ইৰাণৰ আন্তঃগাঁথনি আৰু সামৰিক ঘাটিৰ বিস্তৰ ক্ষতিসাধন কৰি যুদ্ধৰ দাবানল পুনৰ জাগ্ৰত কৰি তুলিলে। প্ৰত্যুত্তৰত ইৰাণেও হাত সাৱটি বহি নাথাকি মধ্য-প্ৰাচ্যৰ দেশবোৰত থকা মাৰ্কিন ঘাটিবোৰত প্ৰতিআক্ৰমণ চলাই আমেৰিকা যুক্তৰাষ্ট্ৰক যথোচিত প্ৰত্যুত্তৰ দিলে। ইৰাণ ইমানতেই ক্ষান্ত নাথাকি যোৱা ১১ জুলাইৰ পৰা হৰমুজ প্ৰণালীয়েদি অহা-যোৱা কৰা সকলো ধৰণৰ ব্যৱসায়িক তেলবাহী জাহাজৰ যাতায়াত আমেৰিকাই সামৰিক প্ৰতিবন্ধকতা হৰমুজ প্ৰণালীৰ পৰা উঠাই নোলোৱা পৰ্যন্ত বন্ধ ৰখা হ'ব বুলি ঘোষণা কৰিছে। উল্লেখ্য যে হৰমুজ প্ৰণালীয়েদি বিশ্বৰ ২০ শতাংশ ■ দুই পৃষ্ঠাত

### ৪৭২.৫১ কোটি টকাৰ নিচাযুক্ত দ্ৰব্যৰ বিনষ্টকৰণ প্ৰক্ৰিয়া আৰম্ভ

# ড্ৰাগছৰ বিৰুদ্ধে পূৰ্বতকৈ অধিক কঠোৰ হ'ব অসম চৰকাৰ ঃ মুখ্যমন্ত্ৰী

**অসম ভূমি সেৱা, মুকালমুৱা ঃ** ড্ৰাগছৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা শূন্য সহনশীল নীতিৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা দেওবাৰে নলবাৰী জিলাৰ দৌলাশালস্থিত চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ চৌহদত ৰাজ্যিক পৰ্যায়ত নিচাযুক্ত দ্ৰব্য বিনষ্টকৰণ প্ৰক্ৰিয়াৰ আৰম্ভ কৰে। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ■ দুই পৃষ্ঠাত



### মন্ত্ৰী পীযুষ হাজৰিকাৰ হাতীয়ামুখ জলসিঞ্চন প্ৰকল্প পৰিদৰ্শন

# পাইপভিত্তিক জলসিঞ্চনত গুৰুত্ব চৰকাৰৰ



**অসম ভূমি সেৱা, জাগীৰোড ঃ** কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই যোৱা দেওবাৰে জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত বাঘজাপ গাঁও পঞ্চায়তৰ হাতীয়ামুখ জলসিঞ্চন প্ৰকল্প পৰিদৰ্শন কৰে। প্ৰায় ৩০.৬৭ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই নলা-ভিত্তিক জলসিঞ্চন প্ৰকল্পৰ জৰিয়তে প্ৰায় ৫,৮০০ বিঘা কৃষিভূমিত নিশ্চিত জলসিঞ্চনৰ সুবিধা উপলব্ধ হৈছে, যাৰ ফলত অঞ্চলটোৰ বহু সংখ্যক খিলঞ্জীয়া কৃষক উপকৃত হৈছে। প্ৰকল্পটোৰ ইতিবাচক প্ৰভাৱত সন্তুষ্টি প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, নিৰ্ভৰযোগ্য জলসিঞ্চন ব্যৱস্থাই অঞ্চলটোৰ কৃষি কাৰ্যকলাপ অধিক শক্তিশালী কৰি তুলিছে। পৰিদৰ্শনৰ সময়ত স্থানীয় কৃষকৰ সৈতে মত-বিনিময় কৰি হাজৰিকাই ■ দুই পৃষ্ঠাত

### এফটিঅ'ৰ জৰিয়তে জৱকাৰ্ডপ্ৰাপ্ত শ্ৰমিকলৈ মজুৰি

## দেশৰ প্ৰথম স্থানত অসম

**গুৱাহাটী ঃ** বিকশিত ভাৰত নিশ্চিত ৰোজগাৰ আৰু আজীৱিকা মিছন (গ্ৰামীণ) চমুকৈ VB-G RAM Gৰ ৰূপায়ণত অসমে এক ৰাষ্ট্ৰীয় মাইলৰ খুঁটি স্থাপন কৰিছে। এই আঁচনিৰ অধীনত ফাণ্ড ট্ৰান্সফাৰ অৰ্ডাৰ সৃষ্টি কৰা দেশৰ প্ৰথমখন ৰাজ্য হিচাপে অসমে ইতিহাস ৰচিছে। ইয়াৰ লগতে, জব কাৰ্ডধাৰী শ্ৰমিকসকললৈ সময়মতে মজুৰি পৰিশোধ, যোগানধাৰকসকললৈ সামগ্ৰী বাবদ ধন পৰিশোধ আৰু প্ৰশাসনিক ব্যয়ৰ ধন পৰিশোধ সফলভাৱে সম্পন্ন কৰা দেশৰ প্ৰথমখন ৰাজ্য হিচাপেও অসমে আন এক উল্লেখযোগ্য কৃতিত্ব অৰ্জন কৰিছে। কেন্দ্ৰীয় গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহান আৰু পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাৰ নেতৃত্বত অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ডিব্ৰুগড় জিলাৰ টিং খং উন্নয়ন খণ্ডৰ নিৰ্বাচিত গাঁৱত আঁচনিৰ ধনৰ মঞ্জুৰী আৰু আবণ্টন প্ৰক্ৰিয়াৰ আৰম্ভ কৰিছিল। চাৰিটা মূল বিষয়ত গুৰুত্ব দি সফলতাৰে আগুৱাই নিয়া হৈছে এই আঁচনি। ১২৫ দিনৰ কৰ্মৰ নিশ্চিত কৰি উপাৰ্জনৰ দিশত নিশ্চয়তা প্ৰদান কৰা হৈছে। হিতাধিকাৰীৰ বাবে গ্ৰামীণ ৰোজগাৰ কাৰ্ড প্ৰদান কৰাৰো নিশ্চিত কৰা হৈছে। প্ৰণালীবদ্ধ স্বচ্ছতাৰে E-KYC প্ৰক্ৰিয়াৰ বিলুপ্তি ঘটাই দ্ৰুত আৰু প্ৰত্যক্ষ মজুৰি প্ৰদানৰ ব্যৱস্থা কৰা হৈছে এই ■ ১১ পৃষ্ঠাত

### অসম পেট্ৰ'কেমিকেলছৰ বাণিজ্যিক দিশক লৈ উদ্যোগ মন্ত্ৰী বিমল বড়াৰ অধ্যক্ষতাত বৈঠক

# বাংলাদেশলৈ মিথানল ৰপ্তানি কৰিব এপিএলে



**গুৱাহাটী ঃ** ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বড়াৰ সভাপতিত্বত জনতা ভৱনৰ কাৰ্যালয়ত অসম চৰকাৰৰ এটি প্ৰতিষ্ঠান অসম পেট্ৰ'কেমিকেলছ লিমিটেডৰ (এপিএল) বিভিন্ন বিষয় সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। উদ্যোগ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব ড° জে বি এক্কা, সচিব ইন্দিৰা কলিতা, এপিএলৰ পৰিচালন সঞ্চালক ৰাজনীশ গগৈৰ লগতে কেইবাগৰাকীও বিষয়াৰ উপস্থিতিত অনুষ্ঠিত সভাত কোম্পানীটোৰ নামৰূপ আৰু বইটামাৰী মিথানল প্ৰকল্পৰ বিভিন্ন দিশ আলোচনা কৰা হয়। সভাত উদ্যোগ মন্ত্ৰী বড়াৰ লগতে অতিৰিক্ত ■ দুই পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

# মধ্য-প্ৰাচ্যৰ যুদ্ধত সংকটৰ দিশে ভাৰতীয়

খাৰুৱা তেল বিভিন্ন দেশলৈ সৰবৰাহ হয়। ভাৰতে হৰমুজ প্ৰণালীয়েদি মধ্যপ্ৰাচ্য দেশবোৰৰ পৰা প্ৰয়োজনীয় ৪৯.৮৫ শতাংশ খাৰুৱা তেল আমদানি কৰে। হৰমুজ দীৰ্ঘদিনৰ বাবে বন্ধ হৈ থাকিলে আমাৰ দেশৰ অৰ্থনীতিৰ দি দশা হ'ব ই সকলোৰে সহজে অনুমেয়। ভাৰতৰ আমদানি আৰু ৰপ্তানি বাণিজ্য দাতা অনুসৰি চলিত বৰ্ষৰ প্ৰথম তিনি মাহত (৩০ জুন, ২০২৬) মুঠ খাৰুৱা তেল আমদানিৰ প্ৰায় ৫০ শতাংশ মধ্য-প্ৰাচ্যৰ চাৰিখন দেশ ইৰাকৰ পৰা ১৯.৮৯ শতাংশ, ছৌদি আৰবৰ পৰা ১৬.০৩ শতাংশ, সংযুক্ত আৰব আমিৰেতৰ পৰা ১১.০০ শতাংশ আৰু কুয়েটৰ পৰা ২.৯৩ শতাংশ ভাৰতে আমদানি কৰে। অৰ্থাৎ মুঠ আমদানিৰ ৫০ শতাংশ খাৰুৱা তেল হৰমুজৰ পথেৰেই ভাৰতলৈ আহে। ইয়াৰ বাহিৰেও ভাৰতে ৰাছিয়াৰ পৰা ১৭.৯২ শতাংশ, নিউজিলেণ্ডৰ পৰা ৬.৯৫ শতাংশ, ব্ৰাজীলৰ পৰা ৫.০৪ শতাংশ, এঞ্জেলাৰ পৰা ৪.৪৯ শতাংশ, নাইজেৰিয়াৰ পৰা ৩.৯৩ শতাংশ আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পৰা ৩.৫১ শতাংশ খাৰুৱা তেল আমদানি কৰে। উক্ত তিনি মাহত খাৰুৱা তেল আমদানি কৰোতে ভাৰতে ১৪.৮২ বিলিয়ন মাৰ্কিন ডলাৰ অৰ্থাৎ ভাৰতীয় মুদ্ৰাত ১,৪১,৬৩৫ কোটি টকা ব্যয় কৰে।

খাৰুৱা তেলৰ বৰ্দ্ধিত মূল্যই আমাৰ বৈদেশিক মুদ্ৰাৰ ভৰালত যথেষ্ট প্ৰভাৱ পেলাইছে। ভাৰতীয় ৰিজাৰ্ভবেংকৰ তথ্য অনুসৰি যোৱা ফেব্ৰুৱাৰী মাহত ভাৰতৰ বৈদেশিক মুদ্ৰাৰ পৰিমাণ আছিল ৭২৮.৪৯ বিলিয়ন মাৰ্কিন ডলাৰ। কিন্তু যোৱা ৩ জুলাইত ই হ্ৰাস হৈ ৬৭৪.১৯ বিলিয়ন মাৰ্কিন ডলাৰ পাইহি। মধ্য-প্ৰাচ্যৰ যুদ্ধৰ ফলত খাৰুৱা তেলৰ আন্তৰ্জাতিক বজাৰত বৰ্দ্ধিত মূল্যই আমাৰ বৈদেশিক মুদ্ৰাৰ ভাণ্ডাৰত যে প্ৰতিকূল প্ৰভাৱ পেলাইছে ইয়াত কাৰো সন্দেহ নাই। বৈদেশিক মুদ্ৰা ভাণ্ডাৰ হ্ৰাস হোৱাৰ বাবে আন্তৰ্জাতিক বজাৰত ভাৰতৰ ঘৰুৱা টকা অন্য মুদ্ৰাৰ তুলনাত দ্ৰুতভাৱে অধনমিত হয় ফলত আমি আমদানি কৰা সামগ্ৰীবোৰত পূৰ্বতকৈ অধিক টকা ব্যয় কৰিব লগা হয়। সম্প্ৰতি এক মাৰ্কিন ডলাৰৰ বিনিময় মূল্য ভাৰতীয় মুদ্ৰাৰ ৯৪ টকাৰো অধিক। এনেদৰে টকাৰ বিনিময় হাৰ বিশেষকৈ মাৰ্কিন ডলাৰৰ তুলনাত হ্ৰাস হৈ থাকিলে আমাৰ দেশৰ উন্নয়নৰ গতিত যে স্থবিৰতা আহি পৰিব তাত অলপো সন্দেহ নাই। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ তথ্য অনুসৰি চলিত বিত্তীয় বৰ্ষত ভাৰতৰ মুদ্ৰাস্ফীতিৰ হাৰ ৬.০০ শতাংশ হ'বগৈ যিটো আমাৰ দৰে এখন উন্নয়নমুখী ৰাষ্ট্ৰৰ বাবে চিন্তনীয় বিষয়।

মধ্য-প্ৰাচ্যৰ যুদ্ধই ভাৰতৰ কৰ্মসংস্থাপনৰ ক্ষেত্ৰখনকো প্ৰভাৱিত নকৰাকৈ থকা নাই। মধ্য প্ৰাচ্যৰ দেশবোৰত বিভিন্ন খণ্ডত কৰ্মৰত ভাৰতীয় লোকৰ সংখ্যা হৈছে ৯০ লাখ। তাত কাম কৰি থকা ভাৰতীয় লোকসকলে প্ৰতি বছৰে আমাৰ দেশলৈ ৫০ বিলিয়ন মাৰ্কিন ডলাৰ পঠায়। শেহতীয়া তথ্য অনুসৰি যুদ্ধৰ ফলত ছৌদি আৰব, কাটাৰ, কুয়েইট সংযুক্ত আৰব আমিৰেত আৰু বাহৰেইনৰ পৰা প্ৰায় ২২ লাখৰো অধিক ভাৰতীয়ই কৰ্মসংস্থান এৰি নিজ দেশলৈ ঘূৰি আহিছে। যুদ্ধ দীৰ্ঘদিন ধৰি চলি থাকিলে তাত কাম কৰি থকা বাকী ভাৰতীয়সকলেও প্ৰাণৰ ভয়ত মধ্য-প্ৰাচ্যৰ দেশবোৰ ত্যাগ কৰি ভাৰতলৈ আহিবলৈ বাধ্য হ'ব। ফলত দেশত নিবনুৱাৰ বোজা জটিলতৰ পৰা অসহনীয় হৈ পৰিব। সন্দেহ নাই ই আমাৰ দেশৰ সামগ্ৰীক ব্যৱস্থাটোৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰিব।

মধ্য-প্ৰাচ্যৰে যুদ্ধই ভাৰতৰ মূলধনী বজাৰত (Capital Market) ব্যাপক খহনীয়াৰ সৃষ্টি কৰিছে। যোৱা এবছৰত ভাৰতীয় শ্বেয়াৰ বজাৰ বিএছই সূচকাংক ৮৬,১৫৯ পয়ন্টৰ পৰা নামি ৭৭,৫৬৯ পয়ন্ট পাইহি। ফলত শ্বেয়াৰত বিনিয়োগ কৰা কোটি কোটি বিনিয়োগকাৰী অভাৱনীয় লোকচানৰ সন্মুখীন হয়। মূলধনী বজাৰৰ খহনীয়াই সৰু-বৰ কোম্পানীবোৰৰ সম্প্ৰসাৰণৰ গতি স্থবিৰ কৰাৰ লগতে কৰ্মসংস্থানৰ ক্ষেত্ৰখনো সংকুচিত কৰি তুলিছে। মধ্য-প্ৰাচ্য যুদ্ধৰ কু-প্ৰভাৱৰ ফলত বিদেশী সংস্থানত বিনিয়োগকাৰীবোৰে আমাৰ দেশৰ পৰা হুৰহুৰে টকা উলিয়াই অন্যদেশত বিনিয়োগ কৰা দেখিবলৈ পোৱা গৈছে যিটো ভাৰতীয় অৰ্থনীতিৰ কাৰণে শুভলক্ষণ নহয়।

এতিয়া দেশ গৈছে মধ্য-প্ৰাচ্যত মাৰ্কিন আধিপত্য বজাই ৰখাৰ স্বাৰ্থত ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে মাৰ্কিন জনমতকো উপেক্ষা কৰি এই যুদ্ধ দীৰ্ঘ সময়লৈকে চলাব পাৰে এনে ক্ষেত্ৰত ভাৰতেই যে সকলোতকৈ ক্ষতিগ্ৰস্ত হ'ব তাত অলপো সন্দেহ নাই। মধ্য-প্ৰাচ্যৰ যুদ্ধ অনতিপলমে বন্ধ নহ'লে ভাৰতে বৰ্দ্ধিত মূল্যত খাৰুৱা তেল আমদানি কৰোতেই মুঠ ঘৰুৱা উৎপাদনৰ (GDP) সিংহ ভাগ ব্যয় হ'ব যাৰ ফলত দেশৰ বিকাশৰ গতি স্থবিৰ হোৱাৰ লগতে জনকল্যাণমূলক কাম-কাজবোৰ চলাই নিয়াত অধিক জটিলতাৰ সন্মুখীন হ'ব। বিশেষকৈ মুদ্ৰাস্ফীতিৰ নিয়ন্ত্ৰণ বাহিৰলৈ যাব, কৰ্মসংস্থান সংকুচিত হ'ব। ইয়াৰ উপৰি ভাৰতে প্ৰচুৰ পৰিমাণে ৰাসায়নিক সাৰ মধ্য-প্ৰাচ্যৰ দেশবোৰৰ পৰাই আমদানি কৰে। যুদ্ধৰ ফলত হৰমুজ পথছোৱা বন্ধ থাকিলে ৰাসায়নিক সাৰ আমদানি কৰাত বাধা আহিব আৰু আমাৰ দেশৰ কৃষ্টি উৎপাদনত যথেষ্ট প্ৰভাৱ পৰিব ফলত খাদ্য সংকটো হ'ব পাৰে। সেয়ে চৰকাৰে পলম হ'লেও পৰিস্থিতিৰ গুৰুত্ব বুজি মধ্য-প্ৰাচ্যৰ যুদ্ধই সৃষ্টি কৰা আৰ্থিক সংকটৰ পৰা দেশখনক উদ্ধাৰ কৰাৰ কাৰণে হ্ৰস্ব আৰু দীৰ্ঘকালীন বিকল্প ব্যৱস্থা যুগুত কৰি কাৰ্যপন্থা হাতত লোৱাটো সময়ৰ আহ্বান। অন্যথা সৰ্বত্ৰে দেখা দিয়া আমাৰ সমস্যাবোৰ জটিলতৰ পৰা অধিক জটিল হৈ পৰিব।

# বাংলাদেশলৈ মিথানল ৰপ্তানি কৰিব

মুখ্য সচিব ড° এক্কাই কোম্পানীটোৰ উৎপাদন, ব্যৱসায় তথা নতুন বাণিজ্যিক কৌশল আদিৰ সন্দৰ্ভত বিভিন্ন পৰামৰ্শ আগবঢ়ায়। মিথানলক জাহাজৰ ইন্ধন হিচাপে ব্যৱহাৰৰ ফলত এপিএলৰ ব্যৱসায়িক সম্ভাৱনা সন্দৰ্ভতো সভাত আলোচনা কৰা হয়। কোম্পানীটোক আত্মনিৰ্ভৰ কৰি তুলিবলৈ মিথানল উৎপাদনৰ বাবে প্ৰয়োজনীয় গেছৰ মূল্য হ্ৰাস কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনোৱা আৰু ইয়াৰ উৎপাদিত পণ্যৰ মূল্য সংযোজনৰ ওপৰত সভাত গুৰুত্ব আৰোপ কৰা হয়। গ্ৰীণ মিথানল উৎপাদন, জাহাজেৰে বাংলাদেশলৈ মিথানল ৰপ্তানিৰ ব্যৱসায় সম্প্ৰসাৰণ, গুজৰাটৰ পণ্ডিত দীনদয়াল উপাধ্যায় বন্দৰত পানীৰ পৰা মিথানল প্ৰকল্প নিৰ্মাণ আৰু ইয়াৰ পৰা কোম্পানীটোৰ সম্ভাব্য লাভা লাভৰ সন্দৰ্ভতো এই সভাত বিতংভাৱে আলোচনা কৰা হয়। উল্লেখ্য যে ৰপ্তানিৰ বাবে প্ৰয়োজনীয় জাহাজৰ ব্যৱস্থা হৈ উঠিলেই অতি সোনকালেই বাংলাদেশলৈ মিথানল ৰপ্তানি কৰিব পৰা যাব বুলি এপিএলৰ সঞ্চালক গগৈয়ে জানিবলৈ দিয়ে। প্ৰতিমাহে এপিএলৰ কাম-কাজৰ সন্দৰ্ভত চৰকাৰক অৱগত কৰাৰৰ বাবেও উদ্যোগ মন্ত্ৰী বড়াই কোম্পানীটোৰ বিষয়াসকলক নিৰ্দেশ দিয়ে।

# পাইপভিত্তিক জলসিঞ্চনত গুৰুত্ব চৰকাৰৰ

কৃষকসকলক জলসিঞ্চনৰ সুবিধা আৰু চৰকাৰৰ বিভিন্ন আঁচনিৰ পূৰ্ণ সদ্ব্যৱহাৰ কৰি বছৰত দুইৰ পৰা তিনিটা খেতি কৰিবলৈ আহ্বান জনায়, যাতে কৃষি উৎপাদন বৃদ্ধি পোৱাৰ লগতে কৃষকৰ আয়ো বৃদ্ধি পায়। মন্ত্ৰীগৰাকীয়ে কয় যে নলা-ভিত্তিক জলসিঞ্চন প্ৰকল্পসমূহে কৃষি খণ্ডলৈ উল্লেখযোগ্য অৱদান আগবঢ়াই আহিছে যদিও বৰ্তমান ৰাজ্য চৰকাৰে অধিক গুৰুত্ব আৰোপ কৰিছে আধুনিক পাইপভিত্তিক জলসিঞ্চন ব্যৱস্থাৰ ওপৰত। তেওঁ কয় যে এনে প্ৰকল্প কম সময়ৰ ভিতৰতে সম্পূৰ্ণ কৰিব পৰা যায়, পানীৰ অধিক দক্ষ ব্যৱস্থাপনা নিশ্চিত কৰে আৰু পৰম্পৰাগত নলা-ভিত্তিক জলসিঞ্চন প্ৰকল্পৰ ক্ষেত্ৰত দেখা দিয়া ভূমি অধিগ্ৰহণজনিত সমস্যাও বহু পৰিমাণে পৰিহাৰ কৰিব পৰা যায়। ৰাজ্যৰ জলসিঞ্চন ব্যৱস্থাক অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত চৰকাৰৰ অংগীকাৰ পুনৰ ব্যক্ত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বত ৰাজ্য চৰকাৰে আধুনিক জলসিঞ্চন আন্তঃগাঁথনি সম্প্ৰসাৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছে, যাতে কৃষকসকলে নিৰ্ভৰযোগ্যভাৱে জলসিঞ্চনৰ সুবিধা লাভ কৰাৰ লগতে বহনক্ষম কৃষি ব্যৱস্থাৰ বিকাশ আৰু অসমৰ কৃষি অৰ্থনীতি অধিক শক্তিশালী হয়।

# ড্ৰাগছৰ বিৰুদ্ধে পূৰ্বতকৈ অধিক কঠোৰ হ'ব

ড° শৰ্মাই কেন্দ্ৰীয় চৰকাৰৰ সহায়ত চতুৰ্দশ অসম আৰক্ষী বাহিনীৰ চৌহদত স্থাপন কৰা সুৰক্ষিতভাৱে নিচাযুক্ত দ্ৰব্য বিনষ্ট কৰা যন্ত্ৰ চালনাৰ আৰম্ভ কৰাৰ লগতে পথ খোলাৰ চলাই ড্ৰাগছ বিনষ্টকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰে। উল্লেখ্য যে ৰাজ্যৰ প্ৰতিখন জিলাত এনেদৰে নিচাযুক্ত দ্ৰব্য বিনষ্টকৰণ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই পদক্ষেপৰ অধীনত অসম আৰক্ষীয়ে জব্দ কৰা ৪৭২.৫১ কোটি টকা মূল্যৰ হেৰ'ইন, গাঞ্জা, কফ ছিৰাপ, টেবলেট-কেপছুল, অপিয়াম, মৰ্ফিন, ক'কেইন আদি নিচাযুক্ত দ্ৰব্য বিনষ্ট কৰা হ'ব। এই উপলক্ষে সংবাদ মাধ্যম তথা অন্যান্যসকলক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিগত পাঁচ বছৰত ৰাজ্য চৰকাৰে বছৰি কেইবাশ কোটি টকাৰ ড্ৰাগছ জব্দ কৰি আহিছে আৰু এই নিচাযুক্ত দ্ৰব্য সৰবৰাহৰ সৈতে জড়িত বিভিন্নজনক আদালতে দোষী সাব্যস্ত কৰি কাৰাদণ্ড বিহিছে। তেওঁ কয় যে জব্দকৃত নিচাযুক্ত দ্ৰব্যসমূহ ৰাজ্য চৰকাৰে বিভিন্ন সময়ত জনসাধাৰণৰ সন্মুখত বিনষ্ট কৰি ড্ৰাগছৰ ব্যৱসায়ীসকলকো এটা বাৰ্তা দি আহিছে। মুঠ ৪৭২.৫১ কোটি টকা মূল্যৰ ড্ৰাগছসমূহ বিনষ্ট কৰিবলৈ প্ৰায় ১০ দিন সময়ৰ প্ৰয়োজন হ'ব বুলি সদৰী কৰি তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰে সুৰক্ষিতভাৱে ড্ৰাগছ বিনষ্ট কৰাৰ বাবে এটা বিশেষ যন্ত্ৰ প্ৰদান কৰিছে আৰু দৌলাশালত যন্ত্ৰটো প্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰা হৈছে। তেওঁ লগতে জানিবলৈ দিয়ে যে এই সময়চোৱাত ৫৮.৮৮ কিলোগ্ৰাম হেৰ'ইন, প্ৰায় ৩৮ হাজাৰ কিলোগ্ৰাম গাঞ্জা, ২.২৯ লাখ কফ ছিৰাপৰ বটল, ৩৯ কিলোগ্ৰাম মৰ্ফিন, প্ৰায় ১৮.৭১ লাখ মেথামফেটামাইনসহ যাবা টেবলেট, প্ৰায় ৪.৯৭ লাখ টেবলেট আৰু কেপছুল আদিকে ধৰি কেইবাবিধো নিচাযুক্ত দ্ৰব্য বিনষ্ট কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিগত পাঁচ বছৰত এন ডি পি এছ আইনৰ অধীনত ৩,৩০০ টা গোচৰ পঞ্জীভুক্ত কৰা হৈছে আৰু বৰ্তমানলৈকে ৩,২২৭ কোটি টকা মূল্যৰ নিচাযুক্ত দ্ৰব্য অসম আৰক্ষীয়ে জব্দ কৰিছে। কিছুদিন পূৰ্বে অসম বিধান সভাত ড্ৰাগছৰ বিৰুদ্ধে হোৱা আলোচনাৰ কথা উল্লেখ কৰি তেওঁ কয় যে এই আলোচনাত শাসকীয় আৰু বিৰোধী উভয় পক্ষৰ বিধায়কে নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে চৰকাৰে অধিক কঠোৰ পদক্ষেপ লোৱাৰ পোষকতা কৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিততে ৰাজ্য চৰকাৰে দৌলাশালত কেন্দ্ৰীয়ভাৱে নিচাযুক্ত দ্ৰব্য বিনষ্টকৰণ অভিযান আৰম্ভকৰিছে। তেওঁ কয় যে ম্যানমাৰৰ বিভিন্ন অঞ্চলৰ পৰা অহা হেৰ'ইন আৰু মেথামফেটামাইনসহ যাবা টেবলেট ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যলৈ সৰবৰাহৰ দিশত অসম এটা পথ স্বৰূপ হৈ পৰিছে, যিটো এক উদ্বেগৰ বিষয়। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে ড্ৰাগছৰ ব্যৱসায়ীসকলক কৰায়ত্ত কৰাটো অতি প্ৰত্যাহ্বানমূলক কাম কিয়নো মূল ব্যৱসায়ীজন সাধাৰণতে বিদেশত থাকে আৰু সৰবৰাহৰ বাবে বিভিন্ন স্তৰত বহুজনক নিয়োজিত কৰে। তেওঁ লগতে কয় যে অসম, মণিপুৰ, মিজোৰাম আৰু পশ্চিমবংগ চৰকাৰে যদি নিৰন্তৰভাৱে ড্ৰাগছৰ ব্যৱসায়ৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰাখে আৰু এনে ব্যৱসায়ৰ সৈতে জড়িতসকলক যদি দৃষ্টান্তমূলক শাস্তি প্ৰদান প্ৰক্ৰিয়া অব্যাহত ৰাখিব পৰা যায় তেন্তে অসমক 'ট্ৰেঞ্জিট' পথ হিচাপে ব্যৱহাৰ হোৱাটো বন্ধ কৰিব পৰা যাব। আইনৰ গণ্ডীৰ ভিতৰত থাকি ড্ৰাগছ ব্যৱসায়ীৰ বিৰুদ্ধে অতি কঠোৰ ব্যৱস্থা হাতত ল'বলৈ অসম আৰক্ষীক নিৰ্দেশ প্ৰদান কৰি তেওঁ লগতে কয় যে অসম বিধানসভাত কিছুদিন পূৰ্বে বিৰোধী পক্ষৰ বিধায়কসকলেও ড্ৰাগছৰ ব্যৱসায়ীৰ বিৰুদ্ধে আৰক্ষীক কঠোৰ হ'বলৈ আহ্বান জনাইছিল। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে ড্ৰাগছ সৰবৰাহ কৰা কাৰ্য ধৰা পেলোৱাটো অতি জটিল কাম। কিয়নো জেপত ভৰাই লোৱা সৰু পাত্ৰ এটাৰেই কোটি টকাৰ ড্ৰাগছ সৰবৰাহ কৰিব পাৰি। সেয়ে এই দিশত চোৰাংচোৱা বাহিনীৰ অধিক সজাগ দৃষ্টি, প্ৰযুক্তিৰ ব্যৱহাৰ বৃদ্ধিৰ লগতে জনসাধাৰণো সজাগ হ'ব লাগিব বুলিও তেওঁ কয়। তদুপৰি এজন সৰবৰাহকাৰী গ্ৰেপ্তাৰ হোৱাৰ পিছত সৰবৰাহকাৰীজনে কোন ব্যক্তিৰ পৰা নিচাযুক্ত সামগ্ৰীখিনি লৈ ক'ত যোগান ধৰাৰ পৰিকল্পনা লৈছিল সেই তথ্যৰো সন্ধান উলিওৱাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে কয় যে কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে ড্ৰাগছৰ বিৰুদ্ধে কাম কৰিবলৈ আন্তঃৰাজ্যিক সমন্বয় বৃদ্ধিৰ দিশত যথেষ্ট প্ৰচেষ্টা চলাই আহিছে আৰু বিগত সময়ছোৱাত এই ক্ষেত্ৰত ৰাজ্যসমূহৰ মাজত সমন্বয় বহু বৃদ্ধিও পাইছে। নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে অহা পাঁচ বছৰত অসম চৰকাৰে পূৰ্বতকৈ অধিক কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে এই পদক্ষেপলৈ জনসাধাৰণৰ সহযোগিতা কামনা কৰে। এই কাৰ্যসূচীত বিত্ত আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বৰক্ষেত্ৰী বিধান সভা সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকাৰ উপৰি অসম আৰক্ষী সঞ্চালকপ্ৰধান হৰমীত সিং প্ৰমুখ্যে অসম আৰক্ষীৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

### তিনিগৰাকী ব্যক্তিৰ মৰণোত্তৰ দেহদান-এগৰাকীৰ নেত্ৰদান ঘোষণা

# ইলোৰা বিজ্ঞান মঞ্চৰ পশ্চিম নলবাৰী শাখাৰ বাৰ্ষিক সভা

**অসম ভূমি সেৱা, চামতা ঃ** ইলোৰা বিজ্ঞান মঞ্চৰ পশ্চিম নলবাৰী শাখাৰ চলিত বৰ্ষৰ সাধাৰণ সভা যোৱা ১২ জুলাইত নলবাৰী জিলাৰ ককয়া গাঁও পঞ্চায়তৰ কাৰ্যালয়ত অনুষ্ঠিত হৈ যায়। কাৰ্যসূচী অনুসৰি পুৱা ১০ বজাত পতাকা উত্তোলন কৰে শাখাৰ সভাপতি ড° মৃণাল বৰ্মনে। স্মৃতি তৰ্পণ কৰে উপস্থিত বিষয়ববীয়াসকলে। ইয়াৰ পাছতে দ্বিজেন্দ্ৰ নাৰায়ণ শৰ্মা, মহানন্দ বৰ্মন আৰু বিদিশা হালৈৰ গীতেৰে আৰম্ভ হোৱা আলোচনা সভাত সভাপতিত্ব কৰে ড° মৃণাল বৰ্মনে। বিজ্ঞান মানসিকতা আৰু মৰণোত্তৰভাৱে দেহদান কৰে মহানন্দ বৰ্মন, বিজয় হুজুৰী আৰু যুতিকা হুজুৰীয়ে। নেত্ৰদান কৰে গংগাধৰ বৰ্মনে। মৰণোত্তৰ দেহদানৰ বিভিন্ন দিশ সম্পৰ্কে ব্যাখ্যা-বিশ্লেষণ কৰে দেহদান কৰা ব্যক্তি মহানন্দ বৰ্মন আৰু বিজয় হুজুৰীয়ে। ইয়াৰ পাছতে সমল ব্যক্তি হিচাপে বক্তব্য আগবঢ়াই শিক্ষক গংগাধৰ বৰ্মনে কয় যে আমাৰ সমাজত নানা ধৰণৰ অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ প্ৰচলন হৈ আছে। উদাহৰণ হিচাপে তেওঁ সাপে খোটা, দাঁত পোকে খোৱা, জণ্ডিচ বেমাৰ আদিৰ সৈতে জড়িত অন্ধবিশ্বাসৰ বিষয়ে বিৱৰি কয়। আন এগৰাকী সমল ব্যক্তি অৱসৰপ্ৰাপ্ত শিক্ষক অনন্ত বৰ্মনে কয় যে বিজ্ঞান শিক্ষাৰে শিক্ষিত লোকসকলৰ মাজতো অন্ধবিশ্বাস প্ৰচলন হৈ থকাটো দুৰ্ভাগ্যজনক। সমাজত অন্ধবিশ্বাস বাঢ়িছে বুলিও তেওঁ উল্লেখ কৰে। আন এগৰাকী আলোচক অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভগৱান বৰ্মনে কয় যে সম্প্ৰতি জৰা-ফুকা, মানুহ দেৱ-দেৱীলৈ ৰূপান্তৰ হোৱা, সাধুবাবা আদি প্ৰতাৰণামূলক অন্ধবিশ্বাস বাঢ়িছে। অনুষ্ঠানত সামৰণিসূচক বক্তব্য ৰাখে খগেন বৰ্মনে। ইফালে, বিয়লি অনুষ্ঠিত মঞ্চৰ সাধাৰণ সভাত বছৰেকীয়া প্ৰতিবেদন পাঠ কৰে সম্পাদক হৰমোহন বৰ্মনে। হিচাপে পৰীক্ষকৰ প্ৰতিবেদন পাঠ কৰে চিত্ৰমল মুদিয়াৰে। প্ৰতিবেদন আৰু আলোচনা সভাৰ বিষয়ে পৰিপূৰক আলোচনা আগবঢ়াই দ্বিজেন্দ্ৰ নাৰায়ণ শৰ্মাই। অনুষ্ঠানত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কৰুণা কান্ত ৰাজবংশী, আন এগৰাকী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক জিতেন্দ্ৰ নাথ বৈশ্য, কৃতী শিক্ষক তপন কুমাৰ শৰ্মা, নিবন্ধকাৰ মনোৰঞ্জন দাস, হেমচন্দ্ৰ হালৈ, সঞ্জয় পাটোৱাৰী আদি পশ্চিম নলবাৰীৰ ভালেকেইগৰাকী বিভিন্ন ব্যক্তি উপস্থিত থাকে।

## কামৰূপ মহানগৰ জিলাত বিশ্ব জনসংখ্যা দিৱস পালন

**গুৱাহাটী ঃ** যোৱা ১১ জুলাইত সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ মহানগৰ জিলাতো বিশ্ব জনসংখ্যা দিৱস পালন কৰা হয়। কামৰূপ মহানগৰ জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত ধীৰেণপাৰা এফ আৰ ইউত এই বিশ্ব জনসংখ্যা দিৱসৰ আৰম্ভণি কৰে কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া (পৰিয়াল কল্যাণ) ডাঃ ভুপেন্দ্ৰ কুমাৰ ভূএগ্রাই। বিষয়াগৰাকীয়ে জিলাখনৰ সাম্ভাব্য দম্পত্তীসকলক সুবিধা অনুযায়ী পৰিয়াল পৰিকল্পনাৰ স্থায়ী আৰু অস্থায়ী পদ্ধতিসমূহ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অহা ১৮ জুলাইলৈকে চলিবলগীয়া জনসংখ্যা নিয়ন্ত্ৰণ কাৰ্যসূচীৰ লগত সংগতি ৰাখি পৰিয়াল পৰিকল্পনাৰ স্থায়ী আৰু অস্থায়ী পদ্ধতিসমূহৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে কামৰূপ মহানগৰ জিলা স্বাস্থ্য সমিতিৰ তৰফৰ পৰা বিভিন্ন মাধ্যমেৰে প্ৰচাৰ কাৰ্যসূচী চলোৱা হ'ব। কাৰ্যসূচীত কামৰূপ মহানগৰৰ জিলা যক্ষ্মা বিষয়া ডাঃ মৃদুল ভাৰতী নাথ, ধীৰেণপাৰা এফ আৰ ইউৰ অতিৰিক্ত অধীক্ষক ডাঃ ৰক্তিম তামুলী, আইপাছ ফাউণ্ডেচনৰ Specialist Health System ডাঃ তপন কলিতা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা আৰু খণ্ড ভিত্তিক বিষয়ববীয়াসকলো উপস্থিত থাকে। এই কাৰ্যসূচীত পৰিয়াল পৰিকল্পনাৰ বিভিন্ন বিষয়ত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা তিনিগৰাকী আশাকৰ্মীক সম্বৰ্ধনা জনোৱা হয়।

# পলাশবাৰী শংকৰদেৱ শিশু বিদ্যা নিকেতনত মাতৃ সন্মিলন সম্পন্ন



**ৰামপুৰ ঃ** পলাশবাৰী শংকৰদেৱ শিশু বিদ্যা নিকেতনত অধ্যয়নৰত বিদ্যাৰ্থীৰ মাতৃসকলৰ উপস্থিতিত যোৱা দেওবাৰে এখন মাতৃ সন্মিলন অনুষ্ঠিত হৈ যায়। নিকেতন পৰিচালনা সমিতিৰ সভাপতি পদ্মেশ্বৰ কলিতাৰ সভাপতিত্বত দিনৰ ১২ বজাত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে নিকেতনৰ সম্পাদক সোণ কলিতাই। নিকেতনৰ প্ৰধান আচাৰ্য মন্টু গোস্বামীয়ে নিজৰ সন্তানক মানুহ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত মাতৃসকলে ল'বলগা দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে আলোকপাত কৰে। নিজৰ সন্তানে কি কৰিছে কি কৰা নাই সেই সম্পৰ্কে মাতৃসকলে যে চকু দিব লাগিব সেই কথা উপস্থিত বিচিত্ৰ কুমাৰ, নিৰঞ্জন শৰ্মা, জিতেন্দ্ৰ কুমাৰ দাস, ভাস্কৰ কলিতাকে ধৰি কেইবাগৰাকীও সন্মানীয় আৰু অভিজ্ঞ ব্যক্তিয়ে সময়োপযোগী পৰামৰ্শ আগবঢ়ায়। সভাখনৰ আৰম্ভণিতে তিনিগৰাকী মাতৃ ক্ৰমে ছয়নিকা শৰ্মা, মইনা দাস আৰু পম্পী দাসে বন্তি প্ৰজ্বলন কৰে। তদুপৰি, বিদ্যালয়ৰ আচাৰ্য-আচাৰ্যাসকলে হংসবাদিনী বন্দনা পৰিৱেশন কৰে। সন্মিলনৰ অন্তত নমিতা শৰ্মাক সভানেত্ৰী, ছয়নিকা শৰ্মা আৰু ৰুমী দাসক উপ-সভানেত্ৰী, পম্পী দাসক সম্পাদিকা, পল্লৱী দাসক সহকাৰী সম্পাদিকা হিচাপে লৈ পলাশবাৰী শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ এখন নতুন মাতৃ গোট সন্মিলন গঠন কৰা হয়।

## ডিব্ৰুগড়ত স্থাপন হ'ব বিধানসভাৰ চৌহদ লোক নিৰ্মাণৰ বিষয়াৰে বিধানসভাৰ অধ্যক্ষৰ বৈঠক

**গুৱাহাটী ঃ** ডিব্ৰুগড়ত স্থাপন হ'বলগীয়া অসম বিধানসভাৰ চৌহদ নিৰ্মাণ সম্পৰ্কত যোৱা ৮ জুলাইত অসম বিধানসভাৰ অধ্যক্ষৰ সভাকক্ষত বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ অধ্যক্ষতাত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ আৰম্ভণিতে লোক নিৰ্মাণ (গৃহ) বিভাগৰ তৰফৰ পৰা এই চৌহদৰ বিস্তৃত পৰিকল্পনাৰ বিষয়ে এক প্ৰেজেণ্টেচন ডাঙি ধৰা হয়। বৈঠকত অধ্যক্ষগৰাকীয়ে ভৱিষ্যতৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি উক্ত প্ৰকল্পৰ কিছু সংশোধনীৰ পৰামৰ্শ প্ৰদান কৰে যাতে ই এক সৰ্বাংগসুন্দৰ প্ৰকল্প হয়। চৌহদত বিধানসভাৰ সচিবালয় নিৰ্মাণ, অধ্যক্ষ, উপাধ্যক্ষৰ আৱাস, বিধানসভাৰ সদস্যসকলৰ আসন, বিধানসভাৰ সচিবালয়ৰ কৰ্মচাৰীৰ আৱাস আদি সম্পৰ্কত বিধানসভাৰ অধ্যক্ষগৰাকীয়ে কিছু পৰামৰ্শ আগবঢ়োৱাৰ উপৰি মুখ্যমন্ত্ৰীৰ ওচৰত এই সংশোধনীৰ বিৱৰণ দাখিল কৰি অৱগত কৰাৰ বাবেও তেওঁ বিভাগীয় শীৰ্ষ বিষয়াসকলক উক্ত বৈঠকতে নিৰ্দেশ দিয়ে। বৈঠকত লোক নিৰ্মাণ (গৃহ) বিভাগৰ বিশেষ আয়ুক্ত আৰু বিশেষ সচিব ৰাজ চক্ৰৱৰ্তী, লোক নিৰ্মাণ (গৃহ) বিভাগৰ মুখ্য অভিযন্তা মহেন্দ্ৰ মোহন দাস, অসম বিধানসভাৰ সচিব ৰাজীৱ ভট্টাচাৰ্য, অতিৰিক্ত সচিব ইন্দ্ৰজিৎ মজুমদাৰকে ধৰি লোক নিৰ্মাণ (গৃহ) বিভাগৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে।


### এক নং জাপিয়া প্ৰাথমিক বিদ্যালয়ৰ শতবৰ্ষ অনুষ্ঠান

# ১৯ জুলাইত শতবাৰ্ষিকীৰ প্ৰাৰম্ভিক কাৰ্যসূচী

**অসম ভূমি সেৱা, ডিমু ঃ** নৱগঠিত ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত এক নং জাপিয়া প্ৰাথমিক বিদ্যালয়ৰ এশ বছৰ পূৰ্ণ হোৱা উপলক্ষে শতবাৰ্ষিকী মহোৎসৱৰ আয়োজন কৰা হৈছে। অহা ১৯ জুলাইত আৰম্ভ হ'বলগীয়া শতবাৰ্ষিকী মহোৎসৱৰ প্ৰাৰম্ভিক কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰিয় নাহৰ পুলি ৰোপণৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিয়লি প্ৰাক্তন শিক্ষাৰ্থীৰ অন্তৰংগ আলাপ অনুষ্ঠানৰ পিছত সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলন কৰা হ'ব। উল্লেখ্য যে কৰ্মসূত্ৰে নাইবা বিভিন্ন কাৰণত ৰাজ্যৰ ভিন্ন প্ৰান্তত বসবাস কৰি থকা বিদ্যালয়খনৰ প্ৰাক্তন শিক্ষক আৰু শিক্ষাৰ্থীসকলক সেইদিনা নিৰ্ধাৰিত সময়ত উপস্থিত হ'বলৈ শতবাৰ্ষিকী মহোৎসৱ উদযাপন সমিতিৰ সভাপতি ছিৰাজুদ্দিন আহমেদ আৰু সম্পাদক আৰিফুৰ ৰহমানে অনুৰোধ জনাইছে।

### ২৭ বছৰত ২৬,৭৯০ জনতকৈ অধিক শিক্ষাৰ্থীক ডিগ্ৰী প্ৰদান

# ২২৬৫ ছাত্ৰ-ছাত্ৰীক ডিগ্ৰী প্ৰদান আই আই টি গুৱাহাটীৰ




**অসম ভূমি সেৱা, উত্তৰ গুৱাহাটী, ১২ জুলাই ঃ** গুৱাহাটী আই আই টিত যোৱা দেওবাৰে ২৮ সংখ্যক দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হয়। আই আই টি গুৱাহাটীৰ ৰাজ্যপাল ব'ৰ্ডৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° প্ৰহ্লাদা ৰামা ৰাৱে সভাপতিত্ব কৰা অনুষ্ঠানত আই আই টি গুৱাহাটীৰ সঞ্চালক অধ্যাপক দেৱেন্দ্ৰ জলিহালে বাৰ্ষিক প্ৰতিবেদন পাঠ কৰে। সঞ্চালকগৰাকীয়ে তেওঁৰ ভাষণত কয়, 'আমাৰ স্নাতক ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষা, উদ্যোগ, উদ্যোগীকৰণ, প্ৰশাসন, পৰিচালনা, বা শিক্ষাৰ ক্ষেত্ৰতেই হওক, বৈচিত্ৰময় কেৰিয়াৰ ■ ১১ *পৃষ্ঠাত*

■ অসম ভূমি ■ ১৫ জুলাই, ২০২৬ ■

**সম্পাদকৰ মেজৰ পৰা...**

# যুদ্ধ আৰু শান্তি

মানৱ সভ্যতাৰ অগ্ৰগতিৰ কাৰণে আৰু বিশ্ব সমুদায়ৰ সাৰ্বিক বিকাশৰ পথত যুদ্ধ এক অভিশাপ। যুদ্ধই অনেক সামৰিক-অসামৰিক লোকৰ প্ৰাণ অকালতে কাঢ়ি নিয়ে, সা-সম্পত্তি ধ্বংস কৰে আৰু উন্নয়ন ব্যাহত কৰে। সেয়ে বিশ্বৰ বিবেকৱান ব্যক্তি তথা চিন্তানায়কসকলে যুদ্ধক বিবাদ মীমাংসাৰ হাতিয়াৰ হিচাপে অগ্ৰাহ্য কৰি আহিছে। যুদ্ধৰ বিভীষিকা সম্বন্ধে ৰাষ্ট্ৰনেতাসকল তথা সৰ্বসাধাৰণ প্ৰজাগণ জ্ঞাত। ৰাষ্ট্ৰনায়ক আৰু সচেতন ব্যক্তিসকলে এই কথাও জানে যে পূৰ্ণ পৰ্যায়ৰ এখন যুদ্ধত যুযুধান পক্ষ দুটাৰ যি পৰিমাণৰ ধন-জনৰ ক্ষতি হয় সেই সম্পদ কামত লগাই যিকোনো এখন অনগ্ৰসৰ দেশৰ দৰিদ্ৰতা নিৰ্মূল কৰিব পৰা যায়। কিন্তু তাৰ পাছতো যুদ্ধ হয়। তাৰ কাৰণ হৈছে— দুখন দেশৰ মাজত যুদ্ধ হ'লে বা যুদ্ধসদৃশ পৰিস্থিতিৰ উদ্ভৱ হ'লে পৃথিৱীৰ আন কিছুমান সমৃদ্ধিশালী দেশ তথা তেনে দেশৰ কিছুমান পুঁজিপতিৰ স্বাৰ্থ পূৰণ হয়। এইখিনিতে উল্লেখ কৰাটো অপ্ৰাসংগিক নহ'ব যে বিশ্বৰ বিত্তীয় পুঁজিয়ে যুদ্ধ বা যুদ্ধসদৃশ পৰিস্থিতি নিবিচাৰে, কাৰণ শান্তিৰ পৰিৱেশহে পুঁজি নিবেশৰ বাবে অনুকূল। তেন্তে যুদ্ধ কোনে কামনা কৰে? যুদ্ধ অথবা যুদ্ধৰ উত্তেজনা বিৰাজ কৰাটো বিচাৰে সেইসকল পুঁজিপতিয়ে। শেহতীয়া ভাৰত-পাক সামৰিক সংঘৰ্ষত ভাৰতে ব্যৱহাৰ কৰা একাধিক ৰাফেল যুঁজাৰু বিমান ধ্বংস কৰাৰ দাবী কৰিছে পাকিস্তানে। কিন্তু সেই দাবীৰ সত্যতা অদ্যাপি প্ৰতিষ্ঠিত হোৱা নাই। আকৌ পাকিস্তানত ধ্বংসপ্ৰাপ্ত বিমান যে ৰাফেলেই আছিল সেই কথা প্ৰমাণিত হোৱাৰ আগতেই বিমানখনৰ নিৰ্মাতা ডাচল্ট এভিয়েচনৰ প্ৰতিদ্বন্দ্বী তথা এফ-১৬ বিমানৰ নিৰ্মাতা লকহিড মাৰ্টিনৰ উদ্যোগত ডাচল্টৰ বিমানৰ যুদ্ধ উপযোগিতা নাকচ কৰি প্ৰচাৰ চলোৱা হ'ল। বৰ্তমান ইৰাণৰ ওপৰত ধাৰাবাহিক আক্ৰমণ চলাই আছে আমেৰিকাই। ইজৰাইল আৰু আমেৰিকাই আক্ৰমণ চলাই ইৰাণৰ বহু সম্পদ ধ্বংস কৰিছে। দেশখনৰ সৰ্বোচ্চ ধৰ্মীয় নেতা আয়াতুল্লা আলী খামেনেইকো হত্যা কৰিছে। ইৰাণেও উভতি ধৰি ইজৰাইলকে ধৰি কেইবাখনো দেশত আক্ৰমণ চলাইছে। মাজতে শান্তিচুক্তি স্বাক্ষৰ হৈছিল যদিও চুক্তি উলংঘা কৰি পুনৰ চলিছে যুদ্ধ। ইয়াৰ ফলত বিশ্ববাসী বিভিন্ন ক্ষেত্ৰত ব্যাপক লোকচানাৰ সন্মুখীন হৈছে। আমাৰ দেশ ভাৰতবৰ্ষও ইয়াৰ পৰা সাৰি যোৱা নাই। হৰমুজ প্ৰণালীৰে যাতায়াত এই যুদ্ধৰ ফলত বন্ধ কৰি দিয়াত ইন্ধন সৰবৰাহত যতি পৰিছে। ফলত ভাৰতবৰ্ষৰ লগতে বিভিন্ন দেশত ৰন্ধন গেছ-ইন্ধনৰ নাটনিয়ে দেখা দিছে। মূল্যবৃদ্ধি ঘটিছে। ফলত সৰ্বসাধাৰণ ৰাইজে সমস্যাত পৰিছে। এই যুদ্ধৰ প্ৰভাৱ এনেদৰে পৰিছে সৰ্বসাধাৰণ ৰাইজৰ ওপৰত।

ওপৰৰ আলোচনাৰ পৰা স্পষ্ট যে সমৰাষ্ট্ৰ নিৰ্মাণ, বিপণন আদি বিভিন্ন স্তৰৰ কাম-কাজত বৃহৎ পুঁজিৰ স্বাৰ্থ জড়িত হৈ আছে আৰু পুঁজিপতিসকলৰ ৰমৰমীয়া ব্যৱসায় চলি থাকিবলৈ হ'লে বিশ্বত যুদ্ধসদৃশ পৰিস্থিতি এটা বৰ্তাই ৰাখিব লাগিব। শান্তিৰ বাণী বিলাই ফুৰা উন্নত দেশবোৰেই উন্নয়নশীল দেশবোৰক সমৰাষ্ট্ৰৰ যোগান ধৰি উত্তেজনা অব্যাহত ৰাখে। যুদ্ধ আৰু শান্তিৰ এই লুকা-ভাকু আৰু কিমানদিন চলিব?





# গৰমৰ বন্ধ

## শিক্ষাৰ্থীৰ মানসিক বিকাশ আৰু জীৱনমুখী শিক্ষাৰ সুযোগ

**নলিনী ৰঞ্জন ভূঞা**

মানৱ জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু সংবেদনশীল সময়ছোৱা হৈছে ছাত্ৰাৱস্থা, য'ত এজন শিশুৰ চৰিত্ৰ, মানসিকতা আৰু মূল্যবোধৰ ভেটি নিৰ্মিত হয়। বৰ্তমানৰ তীব্ৰ প্ৰতিযোগিতাপূৰ্ণ শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীসকলে বছৰটোৰ অধিকাংশ সময় শ্ৰেণীকোঠাৰ চাৰিবেৰ, পৰীক্ষাৰ নম্বৰৰ দৌৰ আৰু গৃহকৰ্মৰ যান্ত্ৰিক ব্যস্ততাৰ মাজত অতিবাহিত কৰিবলগীয়া হয়। এনে এক পৰিস্থিতিত, ১ জুলাইৰ পৰা অসমৰ শিক্ষানুষ্ঠানসমূহত আৰম্ভ হ'বলগীয়া দীঘলীয়া গৰমৰ বন্ধই এই একঘেয়ামিৰ পৰা সাময়িক মুক্তি দি ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনত এক সতেজ পৰিৱৰ্তনৰ সোঁত বোৱাই আনিব পাৰে। গতানুগতিক পুথিগত জ্ঞানৰ গণ্ডীৰ পৰা ওলাই এই সুদীৰ্ঘ বন্ধৰ সময়ছোৱাক সুপৰিকল্পিতভাৱে ব্যৱহাৰ কৰিলে, ই শিক্ষাৰ্থীসকলৰ অন্তৰ্নিহিত সামৰ্থ্য চিনাক্ত কৰা, সুপ্ত প্ৰতিভাৰ বিকাশ ঘটোৱা আৰু মানসিক দিগন্তৰ প্ৰসাৰণৰ এক সোণালী সুযোগ হৈ পৰিব।

**আজিকালি খেলপথাৰৰ অভাৱ, নগৰীকৰণ আৰু পঢ়াৰ অত্যধিক হেঁচাত শিশুসকলৰ শাৰীৰিক পৰিশ্ৰম একেবাৰেই কমি গৈছে। গৰমৰ বন্ধত সাঁতোৰ, ফুটবল, ক্ৰিকেট, বেডমিণ্টন বা কাৰাটেৰ দৰে আত্মৰক্ষাৰ খেলৰ প্ৰশিক্ষণ ল'লে শিশুৰ শৰীৰৰ গঠন সুদৃঢ় হয় আৰু ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি পায়। খেলা-ধূলাই ছাত্ৰ-ছাত্ৰীসকলক দলগতভাৱে কাম কৰাৰ প্ৰেৰণা দিয়ে, নেতৃত্ব বহন কৰাৰ গুণ শিকায় আৰু পৰাজয়কো সহজভাৱে গ্ৰহণ কৰাৰ মানসিক ধৈৰ্য গঢ়ি তোলে। যোগাসন আৰু প্ৰাণায়ামৰ চৰ্চাই এই সময়ত শিশুৰ মানসিক স্থিৰতা বৃদ্ধি কৰিব পাৰে।**

এই বন্ধৰ সময়ছোৱাক সাহিত্য পঠন, সৃষ্টিশীল চৰ্চা, খেল-ধেমালি, সংগীত, চিত্ৰকলা, বিজ্ঞানভিত্তিক অন্বেষণ, পৰিৱেশ সচেতনতা অথবা সমাজসেৱামূলক কাৰ্যকলাপৰ জৰিয়তে ব্যৱহাৰ কৰি তেওঁলোকে নিজৰ দক্ষতাসমূহৰ বিকাশ ঘটাব পাৰে। এনে কাৰ্যকলাপে তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি কৰাৰ লগতে নেতৃত্বৰ গুণ, দায়িত্ববোধ আৰু সৃজনশীল মনোভাব গঢ়ি তোলাতো সহায় কৰে। সেয়েহে এই গুৰুত্বপূৰ্ণ সন্ধিক্ষণত অভিভাৱক, শিক্ষক আৰু সমাজৰ সন্মিলিত দায়িত্ব হৈছে শিক্ষাৰ্থীসকলৰ বাবে এক অনুকূল আৰু সৃষ্টিশীল পৰিৱেশ নিশ্চিত কৰা, যাতে এই বন্ধ কেৱল আলস্য আৰু সময় অপচয়ৰ কাৰণ হৈ নপৰি ব্যক্তিত্ব বিকাশ আৰু সৰ্বাংগীণ জীৱন গঢ়াৰ এক অনন্য সুযোগত পৰিণত হয়।

আধুনিক সমাজত কেৱল পৰীক্ষাৰ নম্বৰ বা পাঠ্যপুথিৰ কথাই এজন শিক্ষাৰ্থীৰ ভৱিষ্যৎ বা ব্যক্তিত্ব নিৰ্ধাৰণ কৰিব নোৱাৰে। সামগ্ৰিক বিকাশতকৈ নম্বৰকেন্দ্ৰিক শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীৰ মনটোক সংকুচিত কৰি ৰাখে। গৰমৰ বন্ধই ছাত্ৰ-ছাত্ৰীসকলক এই সংকীৰ্ণতাৰ পৰা মুক্ত কৰি নতুন নতুন ব্যৱহাৰিক দক্ষতা অৰ্জন কৰাৰ বাবে এক উপযুক্ত মঞ্চ প্ৰদান কৰে। শ্ৰেণীকোঠাৰ সময়সূচীৰ বাবে বছৰটোৰ বাকী সময়ত যিবোৰ বিষয়ৰ চৰ্চা কৰিব পৰা নাযায়, সেইবোৰক এই সময়ছোৱাত মুক্তভাৱে আঁকোৱালি ল'ব পাৰি। চিত্ৰকলা, ভাস্কৰ্য আৰু সংগীত কেৱল একোটা বিষয় নহয়, ই হ'ল মানুহৰ অন্তৰ্নিহিত আৱেগ, অনুভূতি আৰু সৃজনীশীলতাক প্ৰকাশ কৰাৰ এক উচ্চস্তৰীয় মাধ্যম। বন্ধৰ সময়ত শিশুসকলে ছবি অঁকাৰ জৰিয়তে তেওঁলোকৰ কল্পনাৰ জগতখনক ৰঙীন ৰূপত কাগজৰ বুকুত ফুটাই তুলিব পাৰে। মনোবিজ্ঞানীসকলৰ মতে, চিত্ৰকলাই শিশুৰ একাগ্ৰতা আৰু সূক্ষ্ম মনৰ দক্ষতা বৃদ্ধি কৰে। একেদৰে সংগীত বা কোনো বাদ্যযন্ত্ৰ যেনে— বাঁহী, খোল, ঢোল, তবলা, হাৰমনিয়াম, চেতাৰ আদিৰ প্ৰশিক্ষণে মগজুৰ সোঁ আৰু বাওঁ দুয়োটা ভাগৰে কাৰ্যক্ষমতা বৃদ্ধি কৰে। সুৰ আৰু লয়ৰ সাধনাই শিশুৰ মনটোক শৃংখলিত, শান্ত আৰু সংবেদনশীল কৰি তোলে, যাৰ দ্বাৰা মানসিক অৱসাদ দূৰ কৰাত অত্যন্ত সহায়ক হয়।


বৰ্তমানৰ একবিংশ শতিকাটো তথ্য-প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ যুগ। এই সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলে কম্পিউটাৰৰ প্ৰাথমিক জ্ঞান অৰ্জন কৰাৰ উপৰি সহজ কম্পিউটাৰ কোডিঙৰ সৈতে পৰিচিত হ'ব পাৰে। কোডিঙে শিশুৰ চিন্তা আৰু সমস্যা সমাধানৰ ক্ষমতা অভূতপূৰ্বভাৱে বৃদ্ধি কৰে। কোনো এটা জটিল সমস্যাক টুকুৰা-টুকুৰকৈ ভাঙি তাক পদ্ধতিগতভাৱে কেনেকৈ সমাধান কৰিব লাগে, সেই শিক্ষাই শিশুৰ বৌদ্ধিক পৰিপক্কতা আনে। ই তেওঁলোকক ভৱিষ্যতৰ প্ৰযুক্তিনিৰ্ভৰ পৃথিৱীখনৰ বাবে এজন যোগ্য নাগৰিক হিচাপে গঢ়ি তোলে।

আজিকালি খেলপথাৰৰ অভাৱ, নগৰীকৰণ আৰু পঢ়াৰ অত্যধিক হেঁচাত শিশুসকলৰ শাৰীৰিক পৰিশ্ৰম একেবাৰেই কমি গৈছে। গৰমৰ বন্ধত সাঁতোৰ, ফুটবল, ক্ৰিকেট, বেডমিণ্টন বা কাৰাটেৰ দৰে আত্মৰক্ষাৰ খেলৰ প্ৰশিক্ষণ ল'লে শিশুৰ শৰীৰৰ গঠন

■ ১০ পৃষ্ঠাত

***পৰীক্ষাৰ চাপেও শিশুৰ মানসিক স্বাস্থ্যৰ ওপৰত সমানে প্ৰভাৱ পেলায়। বহু প্ৰাইভেট স্কুলসমূহত পৰীক্ষাৰ ফলাফলৰ ওপৰত অত্যধিক গুৰুত্ব দিয়া হয় আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰদৰ্শনক তেওঁলোকৰ মূল্যায়নৰ একমাত্ৰ মাপকাঠী হিচাপে গণ্য কৰা হয়। এই পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে শিশুসকলে অত্যধিক পঢ়া-শুনাৰ বোজা বহন কৰিবলগীয়া হয়। যাৰ ফলত তেওঁলোকৰ মানসিক চাপ বৃদ্ধি পায়। পৰীক্ষাত ভাল নম্বৰ পোৱাৰ চিন্তাই শিশুৰ মনত ভয় আৰু উদ্বেগৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে, ভাৰতৰ বেছিভাগ প্ৰাইভেট স্কুলত প্ৰতি মাহত ইউনিট টেষ্ট, ত্ৰৈমাসিক পৰীক্ষা আৰু বাৰ্ষিক পৰীক্ষাৰ দৰে একাধিক পৰীক্ষাৰ ব্যৱস্থা থাকে, যিয়ে শিশুৰ ওপৰত নিয়মীয়া চাপৰ সৃষ্টি কৰে। এই চাপৰ ফলত বহু শিশুৰ মাজত পৰীক্ষাৰ ভয় (exam anxiety) দেখা দিয়ে, যাৰ ফলত তেওঁলোকৰ প্ৰকৃত ক্ষমতা প্ৰকাশ পোৱাৰ পৰিৱৰ্তে পৰীক্ষাত বেয়া ফলাফল হয়। অভিভাৱক আৰু শিক্ষকৰ পৰা উচ্চ নম্বৰৰ প্ৰত্যাশাই শিশুৰ আত্মবিশ্বাসৰ ওপৰত প্ৰভাৱ পেলায়।***

# হোমৱৰ্ক আৰু পৰীক্ষাৰ চাপ



**সত্যব্ৰত বৰা**

আধুনিক শিক্ষা ব্যৱস্থাত প্ৰাইভেট স্কুলসমূহে শিশুৰ একাডেমিক উৎকৰ্ষতা আৰু ভৱিষ্যতৰ সফলতাৰ ওপৰত অত্যধিক গুৰুত্ব দিয়ে। এই প্ৰক্ৰিয়াত অত্যধিক হোমৱৰ্ক আৰু পৰীক্ষাৰ বোজাই শিশুৰ মানসিক, শাৰীৰিক আৰু সামাজিক জীৱনৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলায়। প্ৰাইভেট স্কুলৰ পাঠ্যক্ৰম প্ৰতিযোগিতামূলক হয় আৰু শিক্ষক আৰু অভিভাৱকৰ উচ্চ আশাৰ ফলত শিশুসকল অত্যধিক চাপৰ সন্মুখীন হয়। এই চাপে তেওঁলোকৰ শৈশৱৰ স্বাভাৱিক আনন্দ নষ্ট কৰাৰ লগতে দীৰ্ঘম্যাদী মানসিক সমস্যাৰ সৃষ্টি কৰিব পাৰে। এই প্ৰবন্ধত বহুতো প্ৰাইভেট স্কুলৰ অত্যধিক হোমৱৰ্ক আৰু পৰীক্ষাই শিশুৰ ওপৰত সৃষ্টি কৰা চাপৰ বিভিন্ন দিশ, ইয়াৰ প্ৰভাৱ আৰু সমাধানৰ সম্ভাৱনাৰ বিষয়ে বিশ্লেষণ কৰা হ'ব।


বহু প্ৰাইভেট স্কুলে শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ নামত ছাত্ৰ-ছাত্ৰীৰ ওপৰত অত্যধিক হোমৱৰ্কৰ বোজা জাপি দিয়ে। এই হোমৱৰ্ক প্ৰায়ে জটিল আৰু সময়সাপেক্ষ হয়। যাৰ ফলত শিশুৰ দৈনন্দিন জীৱনৰ অন্যান্য কাৰ্যকলাপৰ বাবে সময় নাথাকে। উদাহৰণস্বৰূপে এজন প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰই দৈনিক ২-৩ ঘণ্টা হোমৱৰ্কৰ বোজা বহন কৰিবলগীয়া হয়, যিটো তেওঁৰ বয়সৰ বাবে অত্যধিক। এই সময়ত শিশুৰ খেলাধূলা, বিশ্ৰাম আৰু পৰিয়ালৰ সৈতে সময় কটোৱাৰ প্ৰয়োজন থাকে; কিন্তু হোমৱৰ্কৰ চাপৰ বাবে এইবোৰ সম্ভৱ নহয়। ইয়াৰ বাবে শিশুৰ মনত হতাশা, উদ্বেগ আৰু ক্লান্তিৰ ভাৱৰ সৃষ্টি হয়। গৱেষণাৰ পৰা জানিব পৰা যায় যে অত্যধিক হোমৱৰ্কৰ ফলত শিশুৰ টোপনিৰ অভাৱ হয়, যিয়ে তেওঁলোকৰ স্বাস্থ্য আৰু শিক্ষণ ক্ষমতাৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে, আমেৰিকাৰ নেচনেল স্লিপ ফাউণ্ডেচনৰ এক অধ্যয়নত দেখা গৈছে যে ৬-১৩ বছৰ বয়সৰ শিশুৰ ৯-১১ ঘণ্টা টোপনিৰ প্ৰয়োজন, কিন্তু হোমৱৰ্কৰ চাপৰ বাবে বহু শিশুৱে এই পৰিমাণৰ টোপনি লাভ কৰিব নোৱাৰে।

পৰীক্ষাৰ চাপেও শিশুৰ মানসিক স্বাস্থ্যৰ ওপৰত সমানে প্ৰভাৱ পেলায়। বহু প্ৰাইভেট স্কুলসমূহত পৰীক্ষাৰ ফলাফলৰ ওপৰত অত্যধিক গুৰুত্ব দিয়া হয় আৰু ছাত্ৰ-ছাত্ৰীৰ প্ৰদৰ্শনক তেওঁলোকৰ মূল্যায়নৰ একমাত্ৰ মাপকাঠী হিচাপে গণ্য কৰা হয়। এই পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে শিশুসকলে অত্যধিক পঢ়া-শুনাৰ বোজা বহন কৰিবলগীয়া হয়। যাৰ ফলত তেওঁলোকৰ মানসিক চাপ বৃদ্ধি পায়। পৰীক্ষাত ভাল নম্বৰ পোৱাৰ চিন্তাই শিশুৰ মনত ভয় আৰু উদ্বেগৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে, ভাৰতৰ বেছিভাগ প্ৰাইভেট স্কুলত প্ৰতি মাহত ইউনিট টেষ্ট, ত্ৰৈমাসিক পৰীক্ষা আৰু বাৰ্ষিক পৰীক্ষাৰ দৰে একাধিক পৰীক্ষাৰ ব্যৱস্থা থাকে, যিয়ে শিশুৰ ওপৰত নিয়মীয়া চাপৰ সৃষ্টি কৰে। এই চাপৰ ফলত বহু শিশুৰ মাজত পৰীক্ষাৰ ভয় (exam anxiety) দেখা দিয়ে, যাৰ ফলত তেওঁলোকৰ প্ৰকৃত ক্ষমতা প্ৰকাশ পোৱাৰ পৰিৱৰ্তে পৰীক্ষাত বেয়া ফলাফল হয়। অভিভাৱক আৰু শিক্ষকৰ পৰা উচ্চ নম্বৰৰ প্ৰত্যাশাই শিশুৰ আত্মবিশ্বাসৰ ওপৰত প্ৰভাৱ পেলায়। যদি শিশুৱে পৰীক্ষাত আশানুৰূপ ফলাফল লাভ কৰিব নোৱাৰে, তেন্তে তেওঁলোকে নিজকে অযোগ্য বুলি ভাবিবলৈ আৰম্ভ কৰে, যিয়ে তেওঁলোকৰ আত্মসন্মানৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলায়।

এই অত্যধিক হোমৱৰ্ক আৰু পৰীক্ষাৰ চাপৰ ফলত শিশুৰ শাৰীৰিক স্বাস্থ্যৰ ওপৰতো প্ৰভাৱ পৰে। দীৰ্ঘ সময় ধৰি পঢ়া-শুনাৰ বাবে শিশুৰ শৰীৰত বিভিন্ন সমস্যাৰ সৃষ্টি হয়, যেনে মূৰৰ বিষ, চকুৰ সমস্যা আৰু পিঠিৰ বিষ। ইয়াৰ উপৰি অত্যধিক চাপৰ ফলত শিশুৰ খাদ্যাভ্যাস আৰু টোপনিৰ সময়ত অনিয়ম দেখা দিয়ে, যিয়ে তেওঁলোকৰ সামগ্ৰিক স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলায়। গৱেষণাৰ পৰা জানিব পৰা যায় যে দীৰ্ঘম্যাদী মানসিক চাপৰ ফলত শিশুৰ প্ৰতিৰক্ষা ক্ষমতা দুৰ্বল হ'ব পাৰে, যাৰ ফলত তেওঁলোক বিভিন্ন ৰোগৰ প্ৰতি সহজে আক্ৰান্ত হয়। উদাহৰণস্বৰূপে, ভাৰতৰ চহৰাঞ্চলৰ বহুতো প্ৰাইভেট স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত মানসিক চাপৰ ফলত হোৱা স্বাস্থ্য সমস্যাৰ হাৰ ক্ৰমান্বয়ে বৃদ্ধি পাইছে।

মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ উপৰি, এই চাপে শিশুৰ সামাজিক জীৱনৰ ওপৰতো প্ৰভাৱ পেলায়। অত্যধিক হোমৱৰ্ক আৰু পৰীক্ষাৰ প্ৰস্তুতিৰ ফলত শিশুৰ বন্ধু-বান্ধৱ আৰু পৰিয়ালৰ সৈতে সময় কটোৱাৰ সুযোগ হ্ৰাস পায়। শৈশৱৰ এই সময়ত সামাজিক সম্পৰ্ক গঢ়ি তোলা আৰু সহযোগিতাৰ মনোভাৱ গঢ়ি তোলা অতি জৰুৰী; কিন্তু পঢ়া-শুনাৰ চাপৰ বাবে শিশুসকল এই সুযোগৰ পৰা বঞ্চিত হয়। ফলত তেওঁলোকৰ সামাজিক দক্ষতাৰ বিকাশ বাধাগ্ৰস্ত হয় আৰু কিছুমান ক্ষেত্ৰত তেওঁলোক অকলশৰীয়া আৰু অন্তৰ্মুখী হৈ পৰে। পৰীক্ষাৰ প্ৰতিযোগিতামূলক পৰিৱেশে শিশুৰ মাজত স্বাস্থ্যকৰ প্ৰতিযোগিতাৰ পৰিৱৰ্তে ঈৰ্ষা আৰু শত্ৰুতাৰ ভাৱৰ সৃষ্টি কৰিব পাৰে।


এই চাপৰ দীৰ্ঘম্যাদী প্ৰভাৱো অতি গুৰুতৰ। কিশোৰ বয়সত অত্যধিক মানসিক চাপৰ ফলত শিশুৰ মাজত উদ্বেগজনিত ৰোগ (anxiety disorders), হতাশা (depression) আৰু আন মানসিক সমস্যাৰ সৃষ্টি হ'ব ■ ১০ পৃষ্ঠাত



# ঈশ্বৰসন্ধানী ছিৰিৰ মায়া

**ৰেণু ভূঞা**

সন্ধিয়া হ'লেই লাহে লাহে
নামি আহে অভিসাৰি আন্ধাৰৰ
বুনিয়াদী স্তৱকৰ ধাৰা।
সন্ধিয়াৰ আলো-ছাঁয়াৰ ৰূপকথা
উপভোগ কৰি
নীৰৱে বৈ আছো
কামিনী কাঞ্চনৰ সুগন্ধি চুমি।
মন্ত্ৰমুগ্ধ তন্দ্ৰালস দুচকুত ভাহি উঠে
সুউচ্চ মন্দিৰৰ আকাশলংঘা চূড়া
সুৱৰ্ণখচিত উৰ্ধ্বমুখী ছিৰিত
ঈশ্বৰপ্ৰেমী ভক্তৰ মিছিল পাইচাৰী।



হঠাতে চকুত পৰিল
দুজন কিশোৰ ব্ৰহ্মচাৰী
পিন্ধনত শুধবগা আভূষণ
কপালত চন্দনৰ সুৰুজমুখী প্ৰলেপ
সদ্যমুণ্ডনৰ আহূতি ঝলক।
নজৰত পৰাকৈ ঈশ্বৰপ্ৰেমীসকলৰ
সুবিধা অসুবিধাত তীক্ষ্ণ দৃষ্টি
কাৰোবাৰ শাৰীৰিক অক্ষমতাক কান্ধত তুলি
প্ৰফুল্ল বদনে সেৱা শ্ৰম দান।
মানুহৰ মাজে মাজে ঘূৰি
নিজৰ পৰিধানিত বস্ত্ৰৰেই
নিকা কৰে মন্দিৰৰ উৰ্ধ্বমুখী ছিৰি
নাইবা
মন্দিৰৰ প্ৰাংগণৰ আৱৰ্জনাৰ স্তূপ।
ক্লান্তিহীন প্ৰদীপ্ত সুকুমাৰ সৌন্দৰ্য
ৰুণজুণ ৰুণজুণ মুকুন্দ মুৰাৰি
মানুহৰ পদতলেই প্ৰণাম শত কোটি।
ছঁয়াময়া আলোকত
দিব্যজ্যোতি ঝলক বিচ্ছুৰিত
সেৱা শ্ৰমৰ অক্লান্ত কৰ্মী
কোন তেওঁলোক!
নিচাগ্ৰস্ততাৰ অৱচেতনত তুমুল প্ৰশ্নবাণ মোৰ
কোনে কৰিব পাৰে নিজকে সমৰ্পিত
জীৱনৰ এই মহাৰ্ঘ সময়ত!
স্থিতপ্ৰজ্ঞ আচাৰ্যৰ ৰহস্যময়ী হাঁহিয়ে
কঢ়িয়াই আনিলে
মোক মানুহৰ পৰা শিল
কৰাৰ উত্তৰ।

উচ্চ শিক্ষাৰে শিক্ষিত শিক্ষান্ত বালক তেওঁলোক।
ছিৰিৰ ধূলি মচে কিয় ?
চাপি আহিল ব্ৰহ্মচাৰী বালক।
'য'ত খোজ দিয়া যায় সেই ঠাই সদায়ে নিকা হোৱা উচিত।
আপোনাৰ অনাহূত সংক্ৰমণত যাতে
বাকী লোক সংক্ৰমিত নহয় তাৰেই
প্ৰয়াস মাথোঁ।'
সেয়া শ্ৰমৰ মাহাত্ম্য মোৰ দুচকুত থাপি
আলো ছায়া মিছিলত হেৰাই গ'ল
দিব্যজ্যোতি প্ৰকাশি
জ্ঞানপিপাসু মানৱপ্ৰেমী বালক।
মই শিলৰ ইতিহাস হৈ ৰ'লো।

# আমি অভিশপ্ত নেকি

**এছ ইছলাম**

আমি অভিশপ্ত নেকি
স্বৰ্গৰ পৰা সোণৰ জখলাৰে
নামি আহিছিলো স্বৰ্গধামৰ পৰা
সৃষ্টিৰ পাতনিৰে পৰা।

প্ৰকৃতি আমাৰ ওপৰত
হৈছিল নেকি ৰুষ্ট?
সেয়ে আজি সহিব লাগে কষ্ট
কৰিব নোৱৰা হৈছো তুষ্ট।

সঘনে আহিছে বান
খাইছে আমাৰ ধান
লৈছে বহুতো জীৱৰ প্ৰাণ
জীৱজগত আজি ম্ৰিয়মাণ।



গুণী-জ্ঞানীজনক নকৰো মান
ডাঙৰক নকৰো সন্মান
হেৰুৱাইছো নেকি আত্মজ্ঞান?
সদায় হ'ব খোজো দুৰ্নীতিপৰায়ণ।

আজি ক'লা ডাৱৰে আগুৰিছে
গোটেই পৃথিৱীত বিয়পিছে
সত্যৰ বিলোপ সাধন
মিথ্যাৰ জয়গান।

আচলতে আমি অভিশপ্ত নেকি?
প্ৰকৃতিয়ে দিছে এনেদৰে ফাঁকি
হে প্ৰভু জগদীশ্বৰ,
ক্ষমা কৰা আমাৰ ত্ৰুটিবোৰ
শিকোৱা আমাক শিষ্টাচাৰ।



# এটি হাঁহিৰ অপেক্ষাত

**ৰফিক উদ্দিন**

সাগৰ চাইনো কি কৰিম
কঠিন হৃদয়ৰ মানুহ মই
ঢৌৰে খহাব পাৰিবনে?
পকা-বন্ধা কঠিন হৃদয়
বোকা-বালিৰ নহয়তো
পোত যাব শীতল ঢৌত!

চকুলোৰে হৃদয় কৰিলে কঠিন
কংক্ৰিটৰ কোনো গুণে কম নহয়
মহাপ্ৰলয়েও নহয় চূৰ্ণ-বিচূৰ্ণ।

নিশামণি তুমিতো জানাই নহয়...
এটি হাঁহিৰ অপেক্ষাত এটা যুগ!

চকুৰে চকুৰে চাই
দিয়া মিচিকিয়াই
সাগৰৰ ৰোমাঞ্চকৰ ঢৌৰে
আজীৱন মানিব হাৰ
কৰিব বশ্যতা স্বীকাৰ।

# সংস্কৃতি

**নিৰ্মালি কাকতি**

সংস্কৃতি সমন্বয়ৰ এনাজৰী
ইতিহাসৰ জিলিঙনি
জীৱনৰ বিভিন্ন কৃতি
প্ৰাকৃতিক নহয় ই মানৱৰ সৃষ্টি।

সংস্কৃতিৰ দাপোণত প্ৰতিফলিত হয়
একোটা জাতিৰ পৰিচয়
সংস্কৃতি চিৰপ্ৰবহমান
পৰিৱৰ্তনশীল ই জানিবা নিশ্চয়।

ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-পাৰ্বণেই
সংস্কৃতিৰ মূল চালিকাশক্তি
সাজসজ্জা, খাদ্যাভ্যাস ইত্যাদি
সংস্কৃতিয়ে মানৱৰ জীৱন শৈলী।



সংস্কৃতি পৰিসৰ বহল পৰিব্যাপ্তি
মানৱ সভ্যতাৰ মাপকাঠী
প্ৰজন্মৰ পৰা প্ৰজন্মলৈ কৰে গতি
শিক্ষাই সংস্কৃতিৰ ভঁৰাল কৰে চহকী।

সংস্কৃতি জাতিৰ অবিচ্ছেদ্য অংগ
ইয়াৰ নাই কোনো স্থায়ী বিকল্প
আস্থা-বিশ্বাস, ধৰ্মীয় পৰম্পৰা
সংস্কৃতিয়ে শিল্প, কলা আৰু নৈতিকতা।

# যৌৱন জুখিব খোজা ল'ৰাটো

**দৃলীনা দাস**

সিদিনা আবেলিটোৰ স'তে আহিছিল সি
জীৱন মদিৰা পান কৰি
নিচাসক্ত হৈ পৰিছিল যৌৱনৰ পূৰ্ণতা
বৰ আচৰিত ধৰণেৰে সি মোক কৈছিল
কেতিয়াবা জুখি চাবলৈ মন যায় অ'
এই প্ৰেম আৰু ভালপোৱাবোৰ
সি কৈ গৈছিল—
কিমান বেছি গভীৰ হ'লে ভালপোৱাই সাজিব
পাৰে সপোনৰ কাৰেং
কিমান বেছি গভীৰ হ'লে ভালপোৱাৰ
আকাশত জিলিকে আশাৰ ৰামধেনু
কিমান বেছি গভীৰ হ'লে কঠিন হৃদয়ৰ
আৱেগবোৰ গলি গলি বৈ যাব পাৰে
হেঁপাহৰ নৈ—
কিমান বেছি ডাৱৰ থাকিলে নামি আহিব
পাৰে এজাক প্ৰেমৰ বৰষুণ
অবাধ্য বতাহ ছাটিয়ে তাৰ ভাবনাত
অধিক আউল লগাইছিল
সি আকৌ সুধিছিল—
ভালপোৱাই কেনেকৈ কঢ়িয়াই আনে
হেমন্ত শৰৎ শীত আৰু বসন্তক?
কিমান বেছি গভীৰ হ'লে
অনুভৱে ঢৌ তোলে ভালপোৱাৰ সাগৰত
অথবা—
কিমান দুখৰ তপত মৰুভূমিতো মানুহ
খেদিব খোজে
প্ৰত্যাশিত আৱেগৰ মৰীচিকা
এবুকু আশা বুবুত বান্ধি
এপিয়লা মদিৰা হাতত লৈ সি পুনৰ
কৈ উঠিছিল—
কেতিযাপ জুখি চাবলৈ মন যায় অ'
এই প্ৰেম আৰু ভালপোৱাবোৰ।

> “ যদি কোনো ব্যক্তিয়ে শিশুৰ বক্ষস্থল, উৰুৰ মাজভাগ বা নিতম্বৰ দৰে ব্যক্তিগত অংগত স্পৰ্শ কৰে, তেন্তে সেয়া স্পষ্টভাৱে ‘বেড টাচ’। ইয়াৰ উপৰি অস্বাভাৱিকভাৱে ঘনিষ্ঠ হোৱা বা অশালীন অংগী-ভংগী প্ৰদৰ্শন কৰাটোও এই পৰিসৰৰ অন্তৰ্ভুক্ত। শিক্ষকসকলে শিশুসকলক বুজাব লাগে যে শৰীৰৰ এই অংশবোৰ তেওঁলোকৰ ব্যক্তিগত সম্পত্তি আৰু কাৰো অধিকাৰ নাই সেয়া স্পৰ্শ কৰাৰ। যদি কোনো অচিনাকি ব্যক্তিয়ে উপহাৰ, মিঠাই বা টকাৰ প্ৰলোভন দি শিশুৰ শৰীৰ স্পৰ্শ কৰিবলৈ চেষ্টা কৰে, তেন্তে শিশুটিয়ে তৎক্ষণাৎ সেই ব্যক্তিজনক সম্পূৰ্ণৰূপে নাকচ কৰিব লাগে। ”

# শিশু সুৰক্ষা আৰু POCSO আইন

## শিক্ষকৰ দায়বদ্ধতা, প্ৰতিৰোধ আৰু সামাজিক জাগৰণ

প্ৰেম বৈষ্ণৱ

শিক্ষা মানৱ জীৱনৰ এক পৱিত্ৰ যাত্ৰা। এই যাত্ৰাই মানুহক অন্ধকাৰৰ পৰা পোহৰৰ দিশলৈ লৈ যায়। শিক্ষক কেৱল জ্ঞানৰ বিতৰক নহয়, তেওঁ এগৰাকী নিৰ্ভীক পথ প্ৰদৰ্শক। আজিৰ পৰিৱৰ্তিত সমাজ ব্যৱস্থাত জ্ঞানদানৰ দায়িত্বৰ সমান্তৰালভাৱে শিক্ষকৰ কান্ধত এক অতি গধুৰ দায়িত্ব আহি পৰিছে— সেয়া হৈছে শিশু সুৰক্ষা। বৰ্তমান সময়ত শিশুসকলে বিভিন্ন ধৰণৰ যৌন অপৰাধৰ সন্মুখীন হৈছে। এই ভয়াৱহ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে POCSO আইন প্ৰৱৰ্তন কৰিলে। প্ৰাথমিক পৰ্যায়ৰ শিক্ষকসকল শিশুৰ আস্থাৰ পাত্ৰ হোৱা বাবে এই আইনৰ প্ৰতি তেওঁলোকৰ দায়বদ্ধতা অপৰিসীম।

POCSO আইনৰ দৰ্শন আৰু আইনী ভিত্তি কি? এই প্ৰশ্নৰ উত্তৰ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক-অভিভাৱিকা আৰু সৰ্বসাধাৰণ ৰাইজে জনাটো খুবেই প্ৰয়োজন। ২০১২ চনত কাৰ্যকৰী হোৱা POCSO আইনখন শিশুৰ অধিকাৰ ৰক্ষাৰ সংকল্প। ইয়াৰ মূল লক্ষ্য ১৮ বছৰৰ অনূৰ্ধ্ব শিশুক লিংগ ভেদাভেদ নোহোৱাকৈ সুৰক্ষা প্ৰদান কৰা। আইনখনৰ অধীনত প্ৰযুক্তিৰ অপব্যৱহাৰ আৰু পৰ্ণগ্ৰাফীৰ প্ৰভাৱ আদি বিষয়বোৰো সামৰি লোৱা হৈছে। বিশেষকৈ শিক্ষকৰ বাবে এই আইনৰ ধাৰাসমূহ জনাটো নৈতিক দায়িত্ব, কিয়নো অভিযুক্তৰ বিৰুদ্ধে গোচৰ তৰাৰ সময়ত শিশুৰ পৰিচয় গোপন ৰখাটো আইনী বাধ্যবাধকতা।

এই বিষয়ে পৰ্যালোচনা কৰিলে ‘গুড টাচ’ আৰু ‘বেড টাচ’ কি সেয়া ভালকৈ জানিব লাগিব। শিশুৰ সুৰক্ষাৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ পাঠ হৈছে নিজৰ শৰীৰৰ সীমা নিৰ্ধাৰণ কৰা। অধিকাংশ শিশুৱে অসংগত স্পৰ্শৰ পাৰ্থক্য বুজি নোপোৱাৰ বাবে বিপথগামী লোকৰ কবলত পৰে। শিক্ষক হিচাপে আমাৰ প্ৰাথমিক দায়িত্ব হৈছে শিশুক শৰীৰৰ প্ৰতিটো অংশৰ পৱিত্ৰতাৰ বিষয়ে অৱগত কৰা। ‘গুড টাচ’ হৈছে মৰম আৰু সুৰক্ষাৰ প্ৰতীক। শিশুৱে যেতিয়া মাক-দেউতাকৰ সাৱটি লোৱা অনুভৱ কৰে বা শিক্ষকৰ পৰা পিঠিত স্নেহশীল স্পৰ্শ পায়, তেতিয়া তেওঁলোকৰ মনত নিৰাপত্তাবোধ জন্ম হয়। ইয়াৰ বিপৰীতে, ‘বেড টাচ’ হৈছে সেই আচৰণ যিয়ে শিশুৰ মনত অস্বস্তি, ভয় বা অপৰাধবোধৰ সৃষ্টি কৰে।

যদি কোনো ব্যক্তিয়ে শিশুৰ বক্ষস্থল, উৰুৰ মাজভাগ বা নিতম্বৰ দৰে ব্যক্তিগত অংগত স্পৰ্শ কৰে, তেন্তে সেয়া স্পষ্টভাৱে ‘বেড টাচ’। ইয়াৰ উপৰি অস্বাভাৱিকভাৱে ঘনিষ্ঠ হোৱা বা অশালীন অংগী-ভংগী প্ৰদৰ্শন কৰাটোও এই পৰিসৰৰ অন্তৰ্ভুক্ত। শিক্ষকসকলে শিশুসকলক বুজাব লাগে যে শৰীৰৰ এই অংশবোৰ তেওঁলোকৰ ব্যক্তিগত সম্পত্তি আৰু কাৰো অধিকাৰ নাই সেয়া স্পৰ্শ কৰাৰ। যদি কোনো অচিনাকি ব্যক্তিয়ে উপহাৰ, মিঠাই বা টকাৰ প্ৰলোভন দি শিশুৰ শৰীৰ স্পৰ্শ কৰিবলৈ চেষ্টা কৰে, তেন্তে শিশুটিয়ে তৎক্ষণাৎ সেই ব্যক্তিজনক সম্পূৰ্ণৰূপে নাকচ কৰিব লাগে।

আমি শিশুসকলক শিকাব লাগে যে তেওঁলোকৰ শৰীৰৰ মালিক তেওঁলোকে নিজেই। আনকি কোনো পৰিচিত আত্মীয়ৰ আচৰণ যদি অস্বস্তিকৰ হয়, তেন্তে তাকো কেতিয়াও উপেক্ষা কৰিব নালাগে। শিশুক শিকাব লাগে যে যদি কিবা স্পৰ্শত তেওঁলোকে নিজৰ মনত যন্ত্ৰণা অনুভৱ কৰে, তেন্তে সেই কাৰ্যটো লগে লগে পৰিহাৰ কৰিব লাগে। শিক্ষকসকলে শ্ৰেণীকোঠাত এনেদৰে অভিনয় বা চিত্ৰৰ মাধ্যমেৰে এই পাঠটো দিব লাগে যাতে শিশুৰ মনত ভয়ৰ সলনি সতৰ্কতাৰ সৃষ্টি হয়। শিশুৰ মনত এই বিশ্বাসটো সোমোৱাই দিব লাগে যে ‘বেড টাচ’ কৰা ব্যক্তিজনৰ বিৰুদ্ধে চিঞৰাটো কোনো লাজৰ কথা নহয়, আচলতে সেয়া নিজৰ সুৰক্ষাৰ অধিকাৰহে। তেওঁলোকক শিকাব লাগে- ‘না’ ক’বলৈ শিকাটোৱেই জীৱনৰ আটাইতকৈ ডাঙৰ সাহস। যদি কোনোবাই তেওঁলোকক ভয় দেখুৱায় যে এই কথা কাৰোবাক ক’লে বিপদ হ’ব, তেন্তে শিশুটিয়ে জানিব লাগে যে সেই ধমকটো অপৰাধীৰ নিজৰ বচাৱৰ বাবে কৰা প্ৰৱঞ্চনাহে। এনে ধৰণৰ প্ৰতিটো সতৰ্কবাণীয়ে শিশুক এক সুৰক্ষিত মানসিক পৰিসৰ প্ৰদান কৰিব।





বিদ্যালয় কেৱল পাঠ্যপুথিৰ শিক্ষাৰ স্থান নহয়, ই সুৰক্ষাৰ প্ৰথম শিক্ষানুষ্ঠান। শ্ৰেণীকোঠাৰ পৰিৱেশ এনে হ’ব লাগে যাতে ছাত্ৰ-ছাত্ৰীয়ে কোনো ভয় অবিহনে নিজৰ কথা প্ৰকাশ কৰিব পাৰে। শিক্ষকৰ সৈতে গঢ়া মৰমৰ সম্পৰ্কই তেওঁলোকক নিৰ্ভীক কৰি তোলে। শ্ৰেণীকোঠাত এনে এক পৰিৱেশ সৃষ্টি কৰিব লাগে য’ত শিশুৱে অনুভৱ কৰিব পাৰে যে শিক্ষক তেওঁলোকৰ সুৰক্ষাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

শিশুৰ স্বভাৱত হোৱা পৰিৱৰ্তনবোৰ গভীৰ কথাৰ ইংগিত দিয়ে। অকাৰণত কান্দি থকা, স্কুললৈ আহিবলৈ ভয় কৰা বা অকলশৰীয়া হৈ পৰা —এইবোৰ লক্ষণে ইংগিত দিয়ে যে শিশুটি হয়তো কোনো মানসিক আঘাতৰ মাজেৰে পাৰ হৈছে। এনে সময়ত শিক্ষকে ধৈৰ্যৰে শিশুটিৰ সৈতে ব্যক্তিগত কথোপকথন কৰিব লাগে। শিক্ষকৰ সূক্ষ্ম নিৰীক্ষণ শক্তিয়ে বিপদত পৰা শিশুৰ বিষাদ ধৰা পেলাবলৈ সক্ষম হয়। প্ৰতিটো অস্বাভাৱিক আচৰণৰ আঁৰত থকা কাহিনীটো বুজি পোৱাৰ দায়িত্ব শিক্ষকৰ।

আইনৰ ধাৰা ২১ অনুযায়ী, নিৰ্যাতনৰ কথা অৱগত হোৱাৰ পাছত সেয়া আৰক্ষীক নজনোৱাটো দণ্ডনীয় অপৰাধ। বহু সময়ত শিক্ষকসকলে সমাজৰ ভয়ত ঘটনা লুকুৱাবলৈ চেষ্টা কৰে। আমাৰ কৰ্তব্য নিৰ্ভয়ে আৰক্ষী বা শিশু কল্যাণ সমিতিক অৱগত কৰা। শিক্ষক হিচাপে আমাৰ দায়বদ্ধতা সুৰক্ষাৰ প্ৰহৰী হোৱা। যদি আমি পদক্ষেপ নলওঁ, তেন্তে অপৰাধীৰ সৈতে সাঙোৰ খাই পৰিম।

ইণ্টাৰনেটৰ যুগত চাইবাৰ নিৰ্যাতন এক জটিল প্ৰত্যাহ্বান। অনলাইন গেম বা ছ’চিয়েল মিডিয়াৰ জৰিয়তে শিশুসকলক যৌন নিৰ্যাতনৰ জালত পেলোৱাৰ চেষ্টা চলোৱা হয়। শিক্ষকসকলে অভিভাৱকৰ সৈতে মিলি ম’বাইল ফোনৰ সঠিক ব্যৱহাৰৰ বিষয়ে সজাগ কৰিব লাগে। ‘প্ৰাইভেচী’ কি, কিমানখিনি তথ্য ইণ্টাৰনেটত দিব লাগে —এই সকলোবোৰ বিষয় শিক্ষকসকলে ক্লাছত মুকলিভাৱে আলোচনা কৰিব লাগে। অভিভাৱক সভাৰ জৰিয়তে গাঁও বা নগৰৰ প্ৰতিটো পৰিয়ালৰ লগত সংযোগ স্থাপন কৰা সম্ভৱ। অভিভাৱক সভাত POCSO আইনৰ ওপৰত আলোচনা কৰি সমাজত থকা ভুল ধাৰণাবোৰ আঁতৰাব লাগে। শিক্ষকৰ নেতৃত্বত সামাজিক বিপ্লৱ গঢ়ি তুলিব পাৰি, য’ত শিশুৰ সুৰক্ষাক সকলোতকৈ ওপৰত স্থান দিয়া হ’ব।

শিক্ষক হোৱাটো বিশাল দায়িত্ব। সমাজৰ আৱৰ্জনাৰ পৰা শিশুক বচাই ৰখাৰ ঢাল হৈছে শিক্ষক। শিক্ষকৰ নিজৰ আচৰণ স্বচ্ছ আৰু আৰ্হিস্বৰূপ হ’ব লাগিব। আদৰ্শ শিক্ষক তেৰেঁহে, যি নিজৰ ব্যক্তিত্বৰে শিশুৰ বাবে সুৰক্ষিত পৰিৱেশ সৃষ্টি কৰিব পাৰে। শিক্ষকসকলে নিয়মিতভাৱে কৰ্মশালাৰ জৰিয়তে নিজক আপ-টু-ডেট কৰি ৰাখিব লাগে। বিদ্যালয়ত নিয়মিতভাৱে সুৰক্ষা বিষয়ক আলোচনাচক্ৰ অনুষ্ঠিত কৰিব লাগে, য’ত আইন বিশেষজ্ঞক আমন্ত্ৰণ কৰি আনি সজাগতা বৃদ্ধি কৰিব পাৰি। এনে ধৰণৰ প্ৰচেষ্টাই শিক্ষকৰ মনত আত্মবিশ্বাস যোগায়।

শিশুসকল হ’ল আমাৰ দেশৰ ভৱিষ্যৎ। তেওঁলোকৰ হাঁহি আৰু নিৰ্ভীক শৈশৱক সুৰক্ষিত কৰাটো আমাৰ নৈতিক কৰ্তব্য। POCSO আইনখনে আমাক সেই ক্ষমতা প্ৰদান কৰিছে। আমাৰ এই প্ৰচেষ্টা কেৱল আইনী প্ৰবন্ধ বা সভাতে সীমাবদ্ধ নাথাকিব লাগে। ই প্ৰতিদিনৰ শ্ৰেণীকোঠাৰ অবিচ্ছেদ্য অংগ হ’ব লাগে। যেতিয়া প্ৰতিজন শিক্ষকে নিজকে শিশুৰ সজাগ প্ৰহৰী বুলি অনুভৱ কৰিব, তেতিয়াই এখন সুৰক্ষিত সমাজৰ সপোন বাস্তৱায়িত হ’ব। ■

# হত্যাৰ আৰৰ কাহিনী



আজিৰ পৰা বহু বছৰ আগতে ৰাম কুমাৰ নামৰ লোক এজন কামৰ সন্ধানত নিজ মাতৃ ভূমি এৰি আহি নয়নপুৰ নামৰ গাঁও এখনত থাকিব ল'লে। প্ৰথম অৱস্থাত তেওঁ গাঁৱৰ মানুহৰ ঘৰে ঘৰে কাম কৰে, খেতি-বাতিৰ কামত গাঁৱৰ মানুহক সহায় কৰিব লয়। খুব নম্ৰ বেছ ভদ্ৰ প্ৰকৃতিৰ লোক তেওঁ। তেওঁৰ ঘৈণীয়েক সীতা দেৱী খুব মৰমিয়াল আৰু ধিৰ গম্ভীৰ হয়।

এনেদৰে সময় পাৰ হৈ গ'ল। বহুতো বসন্ত ভাল বেয়াৰ মাজেৰে পাৰ কৰিলে দুয়োজনে।

ৰাম কুমাৰৰ দেউতাক পেছাত এজন নাপিত আছিল। চুলি কটা কামটো তেওঁ দেউতাকৰ পৰাই সৰুতে শিকিছিল।

সময় বাগৰিল...

ৰাম সীতাৰ ঔৰষত এটি ল'ৰা সন্তান জন্ম হ'ল। সিদিনা এটি উৎসৱ মুখৰ পৰিৱেশ সৃষ্টি হ'ল নয়নপুৰত। উলহ-মালহেৰে গোটেই নয়নপুৰ ভূমি নাচি উঠিল সিদিনা। মৰমেৰে গাঁৱৰ মানুহে ল'ৰা সন্তানটিৰ নাম দিলে মণি। ৰাম কুমাৰেও ল'ৰাটিৰ নাম মণি ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

লাহে লাহে সময় পাৰ হ'ল। ল'ৰাটিও ডাঙৰ হ'বলৈ ধৰিলে। ওচৰৰে এখন বিদ্যালয়ত তাক নাম লগায় দিলে। যিহেতু দিনে দিনে খৰছৰ মাত্ৰা বাঢ়ি গৈছে সেয়েহে ৰামকুমাৰে চহৰত এখন চেলুন খুলি চুলি, ডাৰি কটা কামটো আৰম্ভ কৰি দিলে। ৰামকুমাৰৰ ব্যৱহাৰ আৰু যিহেতু তেওঁ চুলি কটাত পাকৈত আছিল সেয়েহে তেওঁৰ চেলুনত গ্ৰাহকে ভিৰ কৰি থাকে।



সময় বাগৰিল ৰামকুমাৰে চহৰত মাটি অলপ কিনিলে আৰু চহৰতে ঘৰ বান্ধি থকাৰ কথা চিন্তা কৰিলে। চেলুনৰ কামৰ ব্যস্ততাত তেওঁ গাঁৱত থকা পৰিয়ালটিৰ যত্ন ল'ব পৰা নাই। তেওঁ চহৰত ঘৰ বান্ধিলে আৰু এদিন তেওঁ গাঁওবাসীৰ পৰা বিদায় ল'লে। গাঁওবাসীয়ে ৰাম কুমাৰক হেৰুৱাই চকুলো টুকিলে। গাঁও এৰিব লগা হোৱাত সীতা দেৱী আৰু ল'ৰাটিও উচুপি উঠিল। কিন্তু কি কৰিব সময়ৰ আহ্বানক মানিবয় লাগিব।

কুমাৰৰ ল'ৰা মণি এতিয়া চহৰৰ কলেজত পঢ়ে। দেউতাকৰ চেলুনতো আজৰি সময়ত কাম কৰে।

যদুনাথ ৰাম কুমাৰৰ নয়নপুৰ গাঁৱৰ বন্ধু।

নিজ ভূমি এৰি যিদিনা ৰাম কুমাৰ নয়নপুৰ গাঁৱত আহিছিল এই যদুনাথে তেওঁ লোকক আশ্ৰয় দিছিল। যদুনাথৰ পত্নী যোৱা দুবছৰ আগত ঢুকাইছে। তেওঁৰ একমাত্ৰ ছোৱালী মালা।

সিদিনা হঠাৎ যদুনাথ চহৰলৈ আহিল কুমাৰৰ ওচৰলৈ। তেওঁ কুমাৰক এৰা! বন্ধু মই বুঢ়া হৈ আহিছো, তুমিও দেখোন বুঢ়া হ'লা। তুমি জানাই যে মালাৰ বাহিৰে মোৰ কোনো নাই। সেয়েহে মই মৰি গ'লে মালাৰ দায়িত্ব তুমিয়েই ল'ব লাগিব। মণি আৰু মালা সৰু হৈ থাকোতে আমি দুয়ো বন্ধুৰ সম্পৰ্ক যাতে আত্মীয় হয় তাৰ বাবে যে আমি দুয়ো সিহঁত ডাঙৰ হ'লে বিয়া যে পতাৰ কথা কৈছিলো মনত আছেনে তোমাৰ?

ৰাম কুমাৰ ঃ আৰে! যদু তুমি কি কোৱা? মালা অকল তোমাৰ ছোৱালীয়েই নহয়। তাই মোৰো ছোৱালী হয়। মালা মোৰ বোৱাৰী হোৱাত মোৰ কিহৰ আপত্তি থাকিব। তোমাৰ উপকাৰ মই পাহৰিব নোৱাৰো যদু।

**শচীন্দ্ৰ কুমাৰ দাস**

যদু ঃ খঙেৰে, ঐ... কুমাৰ বন্ধুত্বৰ মাজত কিহৰ উপকাৰৰ কথা উলিয়াইছ।

কুমাৰ ঃ বাদ দিয়া সেইবোৰ বাদ দিয়া। ঘৰত ব'লা। সীতাক মাত দি যাব। ভাত খাই যাব লাগিব।

যদু ঃ ভাত নাখাওঁ। সীতাক এবাৰ দেখা কৰি যাওঁ।

কুমাৰ ঃ সীতা ঘৰত কোন আহিছে চোৱা?

যদুক দেখি সীতা উচুপি উঠিল। সিদিনা ভাত নোখোৱাকৈ যদুক আহিব নিদিলে সীতাই।

সময় বাগৰিল... মণি আৰু মালা দুয়ো BA pass কৰিলে। মণি সুন্দৰ সুঠাম যুৱক হৈ উঠিল আৰু মালাও স্বৰ্গ অপেশ্বৰী যেন লগা হৈছে।

ৰাজু চহৰৰ মদাহী গুণ্ডা এজন। তাৰ মা-বাপেকৰ পৰিচয় নাই। চহৰৰ দোকানবোৰৰ পৰা তেওঁ মাহে দাদাগিৰি কৰি টকা সংগ্ৰহ কৰে। কুমাৰৰ দোকানত বিনা পইচাৰে চুলি কাটে আৰু দাবী-ধমক দি টকা লৈ যায়। সহজ-সৰল কুমাৰে আনৰ দৰে তেৰোঁ সকলো সহি গৈছে।

কুমাৰৰ পত্নী সীতা কিবা অচিনাক্ত ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। সীতাৰ মৃত্যুত তেওঁ ভাঙি পৰিল। আনফালে নয়নপুৰত যদুনাথো নৰিয়াত পৰে। সেয়েহে কুমাৰে মণি আৰু মালাৰ বিয়া পতাৰ সিদ্ধান্ত লয়। ওচৰৰে মন্দিৰ এটাত বিয়াখন হৈ যায়। বিয়াৰ কিছুদিন পিছত যদুয়েও মাটি-বাৰী মালাৰ নামত লিখি দি পৃথিৱীৰ পৰা বিদায় মাগে।

পত্নীৰ মৃত্যু আনফালে বন্ধু যদুৰ মৃত্যুই কুমাৰক সম্পূৰ্ণৰূপে ভাঙি পেলায়।

মণি আৰু মালাৰ এটি ল'ৰা সন্তান জন্ম পাইছে। নাম তাৰ ৰাখিলে নয়ন। কুমাৰে নয়নপুৰৰ নামেৰে তেওঁৰ নাতীৰ নাম দিলে নয়ন। কাৰণ নয়নপুৰতে তেওঁ লাভ কৰিছিল নিস্বাৰ্থ প্ৰেম।

বৰ্তমান চেলুনৰ দায়িত্ব সকলো মণিয়ে লৈছে। কিয়নো ৰাম কুমাৰ আজি আৰু পৃথিৱীত জীয়াই থকা নাই।

প্ৰতি মাহেকত ৰাজু গুণ্ডা আহে চেলুন লৈ।

সিদিনাও আহিছিল। মণিৰ চেলুনত চুলি-ডাৰি কাটি ৫০০ টকা মণিৰ পৰা বিছাৰিলে।

মণিয়ে ৫০০ টকা দিলে কিন্তু মা-বাপ ধৰি গালি পৰিব বাধা কৰিলে।

ৰাজু ঃ ঐ... পোৱালী তোৰ ইমান সাহস। মোক জ্ঞান দিব আহিছ। ফালি পেলাম তোক।

মণি ঃ আপুনী ডেকা মানুহ। দোকানে দোকানে টকা কিয় খুজে? কাম কৰিব লাগে।

ৰাজু ঃ উচ্চ স্বৰে ঐ তই বেছি কৰিছ বে...। মণিক বুকুত খামুচি ধৰি... মাৰি পুতি পেলাম।

মণি ঃ আপুনি যাওঁক মোৰ ভুল হৈছে। যিহেতু চেলুনত গ্ৰাহক আছিল মণি শান্ত হ'ল।

ৰাজু চিঞৰি চিঞৰি অশ্লীল ভাষাৰে ওলাই গ'ল।

মাহৰ ৩০ তাৰিখ ৰাজু পুনৰ আহিল চেলুনলৈ। ঠিক সেই সময়তে মালাই মণিক দুপৰীয়াৰ আহাৰৰ টিফিন দিব আহিল।

মালাৰ সৌন্দৰ্য দেখি তেওঁৰ প্ৰতি বেয়া দৃষ্টিৰে নিৰীক্ষণ কৰিব ধৰিলে সি। মালাই কথাটো অনুভৱ কৰি মুহূৰ্ততে তাৰ পৰা আতৰি গ'ল।

ৰাজু ঃ মণিক উদ্দেশ্যী! ঐ পোৱালি, এইজনী কোন বে...? বৰ ধুনীয়া বে...।

মণি ঃ মোৰ পত্নী তেওঁ। নাৰীক সন্মান কৰিব দাদা।

ৰাজু ঃ জোৰকৈ হাঁহিৰে... চাল্লা নাপিতেও ইমান অপেশ্বৰী কইনা পাই বে...?

মণি ঃ চিঞৰি... মই BA pass নাপিত কাম কৰো। কৰ্মক লাজ নকৰো।

তোৰ দৰে ভিক্ষা নুখুজো।

ৰাজু ঃ চিঞৰি... কাক ভিক্ষাৰী কৈছে বে...। দুয়োৰে মাজত মাৰপিট হয়।

ওচৰৰ দোকানীবোৰ আহি মণিক বুজাই কাজিয়া ভাঙি দিয়ে।

মণি যিহেতু এজন শিক্ষিত ল'ৰা তেওঁ ওচৰৰে থানাত এখন এজাহাৰ দিলে। কিন্তু পুলিচে কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে। কাৰণ ৰাজুৰ collectionৰ পৰা পুলিচেও এটা অংশ মাহেকত পাই।

মণি হতাশাত ভোগে। মালাই মণিক বুজাই বঢ়াই শান্ত কৰে।

ৰাজু মাহে চেলুন লৈ আহে। গালি ভৎসৰ্না কৰি টকা লৈ যায়, ডাৰি চুলি কাটি যায়।

যিজন মানুহ মানসীক বিকাৰগ্ৰস্ত, যাৰ মা-বাপেকৰ পৰিচয় নাই তেনে এজন মানুহক স্পৰ্শ কৰি ডাৰি চুলি কটাতো মণিৰ বাবে অসহনীয়।

মণিয়ে উপলব্ধি কৰিছে দেউতাকে কেনেকৈ এইবোৰ সহি গৈছিল। কিয় তেওঁৰ গাঁওখন বেছি আপোন আছিল।

শিক্ষা-দিক্ষা নহোৱা এজন গুণ্ডাই পুলিচ প্ৰশাসন নিয়ন্ত্ৰণ কৰে।

যিহেতু ৰাজুই মালাক বেয়া নজৰ দিয়ে সেয়েহে মণিয়ে মালাক চেলুনত অহা মানা কৰিছে।

আজি ৰাজু মণিৰ চেলুনত আহিছে। আনফালে মণিৰ ল'ৰাটোৰ ভিষণ জ্বৰ।

জ্বৰ বেছি হোৱাত মালাই উপায়হীন হৈ মণিক মাতিবলৈ চেলুন আহিল। ৰাজুয়ে মালাক দেখি পগলা হৈ গ'ল। সি অকস্মাৎ মালাক সাৱটি ধৰি তেওঁৰ উঠন বুকুত মুখ গুজি মুখে গালে চুমা খাব ধৰিলে।

মণি উত্তেজিত ■ ১০ পৃষ্ঠাত

*ই-২০ পেট্ৰ'ল আচলতে কি আৰু কিয় ই সাধাৰণ জনতাৰ মাজত ইমান আতংকৰ সৃষ্টি কৰিছে, সেয়া বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা বুজাটো অতিকৈ প্ৰয়োজনীয়। সাধাৰণতে ইথানল হৈছে কুঁহিয়াৰ, ধান, গোমধান আদিৰ পৰা প্ৰস্তুত কৰা এক প্ৰকাৰৰ জৈৱ-ইন্ধন। পেট্ৰ'লৰ লগত ইয়াক মিহলালে ইন্ধনৰ দহন প্ৰক্ৰিয়া উন্নত হয় আৰু কাৰ্বন ম'ন'ক্সাইডৰ দৰে ক্ষতিকাৰক গেছৰ নিৰ্গমন বহু পৰিমাণে হ্ৰাস পায়। কিন্তু ইথানলৰ কিছুমান নিজস্ব ৰাসায়নিক ধৰ্ম আছে যিয়ে পুৰণি ইঞ্জিনৰ বাবে ভয়াৱহ বিপদ কঢ়িয়াই আনিব পাৰে। বিশেষকৈ ২০২৩ চনৰ এপ্ৰিল মাহৰ পূৰ্বে নিৰ্মিত বিএছ-৪ আৰু প্ৰাৰম্ভিক বিএছ-৬ বাহনসমূহৰ ইঞ্জিন আৰু ইন্ধন প্ৰণালী কেৱল সাধাৰণ পেট্ৰ'লৰ বাবেহে ডিজাইন কৰা হৈছিল। ইথানল এটা তীব্ৰ দ্ৰাৱক হিচাপে কাম কৰে আৰু ই সহজে বতাহৰ পৰা জলীয় বাষ্প শোষণ কৰে। যেতিয়া ই-২০ পেট্ৰ'ল পুৰণি বাহনৰ ইন্ধন টেংকীত বেছি দিন ব্যৱহাৰ নোহোৱাকৈ থাকে, তেতিয়া ইথানলে শোষণ কৰা পানী পেট্ৰ'লৰ পৰা পৃথক হৈ টেংকীৰ তলত জমা হয়।*

# ই-২০ পেট্ৰ'ল বিতৰ্ক

## সেউজ যাত্ৰাত সাধাৰণ জনতাৰ হাৰাশাস্তি

চন্দন কুমাৰ নাথ

বৰ্তমান সময়ত সমগ্ৰ বিশ্বই সেউজ শক্তি বা নৱীকৰণযোগ্য শক্তিৰ দিশে খৰতকীয়া গতিত ধাৱমান হৈছে। জলবায়ু পৰিৱৰ্তন আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ দৰে ভয়াৱহ সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ প্ৰতিখন দেশেই নিজা নীতি প্ৰস্তুত কৰিছে। ভাৰতবৰ্ষও ইয়াৰ ব্যতিক্ৰম নহয়। পৰিৱেশ প্ৰদূষণ ৰোধ কৰা আৰু খাৰুৱা তেলৰ আমদানিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাৰ দ্বাৰা অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰশীল হোৱাৰ লক্ষ্যৰে ভাৰত চৰকাৰে পেট্ৰ'লত ইথানল মিশ্ৰণৰ এক অভিলাষী আৰু গুৰুত্বপূৰ্ণ কাৰ্যসূচী গ্ৰহণ কৰিছে। এই কাৰ্যসূচীৰ অধীনত দেশত বৰ্তমান ২০ শতাংশ ইথানল আৰু ৮০ শতাংশ পেট্ৰ'লৰ মিশ্ৰণযুক্ত 'ই-২০ পেট্ৰ'ল' (E20 Petrol)ৰ যোগান ধৰা হৈছে। চৰকাৰৰ এই পদক্ষেপ পৰিৱেশ আৰু অৰ্থনীতিৰ বাবে অত্যন্ত লাভজনক বুলি দাবী কৰা হৈছে আৰু নিৰ্ধাৰিত সময়ৰ পূৰ্বেই সমগ্ৰ দেশত ২০ শতাংশ ইথানল মিশ্ৰণৰ লক্ষ্যত উপনীত হোৱা হৈছে; কিন্তু শেহতীয়াকৈ সমগ্ৰ দেশজুৰি ই-২০ পেট্ৰ'লক কেন্দ্ৰ কৰি এক তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে।

ই-২০ পেট্ৰ'ল আচলতে কি আৰু কিয় ই সাধাৰণ জনতাৰ মাজত ইমান আতংকৰ সৃষ্টি কৰিছে, সেয়া বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা বুজাটো অতিকৈ প্ৰয়োজনীয়। সাধাৰণতে ইথানল হৈছে কুঁহিয়াৰ, ধান, গোমধান আদিৰ পৰা প্ৰস্তুত কৰা এক প্ৰকাৰৰ জৈৱ-ইন্ধন। পেট্ৰ'লৰ লগত ইয়াক মিহলালে ইন্ধনৰ দহন প্ৰক্ৰিয়া উন্নত হয় আৰু কাৰ্বন ম'ন'ক্সাইডৰ দৰে ক্ষতিকাৰক গেছৰ নিৰ্গমন বহু পৰিমাণে হ্ৰাস পায়। কিন্তু ইথানলৰ কিছুমান নিজস্ব ৰাসায়নিক ধৰ্ম আছে যিয়ে পুৰণি ইঞ্জিনৰ বাবে ভয়াৱহ বিপদ কঢ়িয়াই আনিব পাৰে। বিশেষকৈ ২০২৩ চনৰ এপ্ৰিল মাহৰ পূৰ্বে নিৰ্মিত বিএছ-৪ আৰু প্ৰাৰম্ভিক বিএছ-৬ বাহনসমূহৰ ইঞ্জিন আৰু ইন্ধন প্ৰণালী কেৱল সাধাৰণ পেট্ৰ'লৰ বাবেহে ডিজাইন কৰা হৈছিল। ইথানল এটা তীব্ৰ দ্ৰাৱক হিচাপে কাম কৰে আৰু ই সহজে বতাহৰ পৰা জলীয় বাষ্প শোষণ কৰে। যেতিয়া ই-২০ পেট্ৰ'ল পুৰণি বাহনৰ ইন্ধন টেংকীত বেছি দিন ব্যৱহাৰ নোহোৱাকৈ থাকে, তেতিয়া ইথানলে শোষণ কৰা পানী পেট্ৰ'লৰ পৰা পৃথক হৈ টেংকীৰ তলত জমা হয়। ইয়াৰ ফলত মেটেলৰ টেংকীত মামৰ ধৰে আৰু এই মামৰযুক্ত পানী ইঞ্জিনৰ ফিইউল ইনজেক্টৰ আৰু ৰবৰৰ পাইপবোৰলৈ গৈ সেইবোৰ নষ্ট কৰে। ৰবৰৰ অংশবোৰ টান হৈ ফাটি যোৱাৰ উপক্ৰম হয়, যিয়ে ইন্ধন নিৰ্গমন কৰি অগ্নিকাণ্ডৰ দৰে ভয়াৱহ দুৰ্ঘটনাৰো কাৰণ হ'ব পাৰে। শেহতীয়াকৈ প্ৰকাশিত এক ৰাষ্ট্ৰীয় জৰীপৰ তথ্যই এই বিতৰ্কক অধিক ঘনীভূত কৰিছে। বাতৰি অনুসৰি, ২০২৩ চনৰ আগৰ বাহন ব্যৱহাৰ কৰা প্ৰায় ৬৬ শতাংশ গৰাকীয়ে ই-২০ পেট্ৰ'ল ব্যৱহাৰ কৰাৰ পিছত তেওঁলোকৰ বাহনৰ মাইলেজ বা ইন্ধন কাৰ্যক্ষমতা ১০ শতাংশতকৈ অধিক হ্ৰাস পোৱা বুলি অভিযোগ কৰিছে। ইয়াৰ লগতে প্ৰায় ৫৫ শতাংশ লোকে বাহনৰ ইঞ্জিন আৰু আনুষংগিক মেৰামতিৰ খৰচ অস্বাভাৱিকভাৱে বৃদ্ধি পোৱা বুলি মত প্ৰকাশ কৰিছে। বৈজ্ঞানিকভাৱে চাবলৈ গ'লে, ইথানলৰ শক্তি ঘনত্ব সাধাৰণ নিৰ্ভেজাল পেট্ৰ'লতকৈ প্ৰায় ৩০ শতাংশ কম। সেয়েহে ই-২০ পেট্ৰ'লত একে পৰিমাণৰ শক্তি পাবলৈ বাহনৰ ইঞ্জিনক অধিক ইন্ধনৰ প্ৰয়োজন হয়, যাৰ পোণপটীয়া প্ৰভাৱ মাইলেজৰ ওপৰত পৰে। বৰ্তমানৰ মূল্যবৃদ্ধিৰ যুগত সাধাৰণ জনতাৰ বাবে ই এক বৃহৎ অৰ্থনৈতিক বোজা হৈ পৰিছে। এফালে পেট্ৰ'লৰ আকাশলংঘী মূল্য আৰু আনফালে বাহনৰ মেৰামতিৰ নামত অতিৰিক্ত ব্যয়, এই দুয়োটাই মিলি মধ্যবিত্ত শ্ৰেণীৰ কঁকাল ভাঙি পেলাইছে। এই বিতৰ্কৰ আন এক ভয়াৱহ আৰু প্ৰায়ে আওকাণ কৰা দিশ হৈছে মটৰ বীমা বা ইনচুৰেন্স কোম্পানীসমূহৰ স্থিতি। যেতিয়া ই-২০ পেট্ৰ'লৰ ফলত পুৰণি বাহনৰ ৰবৰৰ পাইপ ফাটি যায় বা ইনজেক্টৰ বেয়া হয়, তেতিয়া গৰাকীয়ে স্বাভাৱিকতেই বীমা কোম্পানীৰ কাষ চাপে। কিন্তু ভাৰতৰ বেছিভাগ বীমা কোম্পানীয়ে এনে মেৰামতিৰ দাবী কঠোৰভাৱে নাকচ কৰি আহিছে। তেওঁলোকৰ আইনী যুক্তি অনুসৰি 'কম্প্ৰিহেন্সিভ' বীমা কেৱল দুৰ্ঘটনা, চুৰি বা প্ৰাকৃতিক দুৰ্যোগৰ বাবেহে প্ৰযোজ্য। ইথানলৰ ফলত হোৱা ক্ষতি এক ক্ৰমান্বয়ে হোৱা যান্ত্ৰিক বিজুতি আৰু ইয়াক স্বাভাৱিক ক্ষয়-ক্ষতি বুলি ধৰা হয়। ফলস্বৰূপে, গ্ৰাহকে নিজৰ গাঁঠিৰ ধন ভাঙি হাজাৰ হাজাৰ টকা ব্যয় কৰি ইঞ্জিন মেৰামতি কৰিবলগীয়া হৈছে। বীমা থকাৰ পিছতো তাৰ কোনো সুফল নোপোৱাটোৱে জনসাধাৰণৰ মাজত তীব্ৰ ক্ষোভ আৰু হতাশাৰ সৃষ্টি কৰিছে। অৱশ্যে, এই তীব্ৰ প্ৰতিক্ৰিয়া আৰু বিতৰ্কৰ মাজতে কেন্দ্ৰীয় চৰকাৰ আৰু পেট্ৰ'লিয়াম মন্ত্ৰালয়ে নিজৰ স্থিতি অতি স্পষ্ট আৰু কটকটীয়া কৰিছে। শেহতীয়াকৈ সংবাদ মাধ্যমৰ জৰিয়তে বিয়পি পৰা উৰাবাতৰিসমূহ খণ্ডন কৰি কেন্দ্ৰীয় মন্ত্ৰালয়ে স্পষ্ট কৰি দিছে যে চৰকাৰে ই-২০ পেট্ৰ'লক কোনো 'পৰীক্ষামূলক' পদক্ষেপ হিচাপে লোৱা নাই। উচ্চতম ন্যায়ালয়ত চলি থকা এক গোচৰৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা ভুল বুজাবুজিৰ অৱসান ঘটাই চৰকাৰে কয় যে এই প্ৰকল্প সম্পূৰ্ণ বৈজ্ঞানিক ভিত্তি আৰু অটোমোটিভ ৰিচাৰ্চ এছ'চিয়েচন অব্ ইণ্ডিয়াৰ দৰে সংস্থাৰ দীঘলীয়া পৰীক্ষণৰ পাছতহে ৰূপায়ণ কৰা হৈছে। চৰকাৰী পৰিসংখ্যা অনুসৰি, এই ইথানল মিশ্ৰণৰ ফলত দেশৰ ১.৯০ লাখ কোটি টকাৰো অধিক বহুমূলীয়া বিদেশী মুদ্ৰা ৰাহি হৈছে, কৃষকসকলৰ একাউণ্টলৈ ১.৬০ লাখ কোটি টকা পোনপটীয়াকৈ গৈছে আৰু প্ৰায় ৯৩০ লাখ মেট্ৰিক টন কাৰ্বন ডাই-অক্সাইড নিৰ্গমন হ্ৰাস পাইছে। তদুপৰি, ই-২০ পেট্ৰ'লৰ ব্যৱহাৰৰ ফলত বাহনৰ ৱাৰেণ্টি বাতিল হোৱাৰ উৰাবাতৰিকো চৰকাৰে সম্পূৰ্ণ ভিত্তিহীন বুলি আখ্যা দিছে। এই সমগ্ৰ পৰিস্থিতিটো নিৰপেক্ষভাৱে পৰ্যবেক্ষণ কৰিলে দেখা যায় যে চৰকাৰৰ মূল উদ্দেশ্য অতি মহৎ আৰু ৰাষ্ট্ৰৰ সামগ্ৰিক স্বাৰ্থত ইথানল মিশ্ৰণ এক অতি প্ৰশংসনীয় পদক্ষেপ। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰাজিল আদি দেশে বহু আগতেই এই নীতি সফলভাৱে গ্ৰহণ কৰিছে। কিন্তু যি ধৰণে আৰু যি খৰতকীয়া গতিত ভাৰতত এই নীতি ৰূপায়ণ কৰা হ'ল, তাত সাধাৰণ গ্ৰাহকৰ স্বাৰ্থ সুৰক্ষিত কৰাত চৰকাৰ কিছু পৰিমাণে ব্যৰ্থ হোৱা যেন অনুভৱ হয়। ব্ৰাজিলৰ দৰে দেশত ইথানল মিশ্ৰিত ইন্ধন সফল হোৱাৰ প্ৰধান কাৰণ হ'ল তাত ইন্ধনৰ বিকল্পৰ ব্যৱস্থা আছে আৰু বাহনসমূহ ফ্লেক্স-ফিইউল প্ৰযুক্তিৰে নিৰ্মিত। ভাৰতত হঠাৎ প্ৰায় সকলো পেট্ৰ'ল পাম্পত কেৱল ই-২০ পেট্ৰ'ল উপলব্ধ কৰোৱাৰ ফলত পুৰণি বাহনৰ গৰাকীসকলৰ হাতত কোনো বিকল্প বাকী নাথাকিল। লাখ লাখ মধ্যবিত্ত পৰিয়ালে ২০২৩ চনৰ আগতে ক্ৰয় কৰা নিজৰ কষ্টোপাৰ্জিত ধনৰ বাহনখন এদিনতে পেলাই দিব নোৱাৰে বা লাখ লাখ টকা ব্যয় কৰি লগে লগে নতুন বাহন কিনিব নোৱাৰে। নীতি নিৰ্ধাৰণৰ সময়ত এই বাস্তৱিক সমস্যাটোক যিমান গুৰুত্ব দিব লাগিছিল, সিমান হয়তো দিয়া নহ'ল। এই সমগ্ৰ বিতৰ্কৰ এক স্থায়ী অৱসান ঘটাবলৈ চৰকাৰে এক বাস্তৱসন্মত আৰু মধ্যমীয়া পথ অৱলম্বন কৰা উচিত। দেশৰ অৰ্থনীতি আৰু পৰিৱেশ সুৰক্ষাৰ সমান্তৰালভাৱে নাগৰিকৰ স্বাৰ্থ ৰক্ষা কৰাটোও চৰকাৰৰ সমানেই দায়িত্ব। প্ৰথম পদক্ষেপ হিচাপে, কেৱল নতুন বাহনৰ বাবে ই-২০ পেট্ৰ'লৰ ব্যৱহাৰ সীমিত কৰি, পুৰণি বাহনসমূহৰ বাবে ই-৫ বা ই-১০ পেট্ৰ'লৰ বিকল্প দেশৰ প্ৰতিটো পেট্ৰ'ল পাম্পত উপলব্ধ কৰোৱাৰ কঠোৰ ব্যৱস্থা কৰিব লাগে। ইয়াৰ লগতে, পুৰণি বাহনসমূহক ই-২০ পেট্ৰ'লৰ উপযোগী কৰিবলৈ চৰকাৰে ৰেহাই মূল্যত বা ৰাজসাহায্যযুক্ত ৰেট্ৰ'ফিট কিট যোগান ধৰাৰ কথা গভীৰভাৱে চিন্তা কৰিব পাৰে। বীমা নিয়ন্ত্ৰণ কৰ্তৃপক্ষয়ে বীমা কোম্পানীসমূহক কঠোৰ নিৰ্দেশনা দি বীমা নীতিসমূহকো নতুন পৰিস্থিতিৰ লগত খাপ খোৱাকৈ সলনি কৰাৰ প্ৰয়োজন আছে, যাতে ইথানলৰ বাবে হোৱা যান্ত্ৰিক ক্ষতিৰ ক্ষতিপূৰণ গ্ৰাহকে লাভ কৰিব পাৰে।

সেউজ শক্তিৰ দিশে ভাৰতৰ যাত্ৰা অৱশ্যেই গৌৰৱৰ বিষয় আৰু ই সময়ৰ আহ্বান; কিন্তু এই যাত্ৰাত যাতে সাধাৰণ জনতাৰ আৰ্থিক ক্ষতি আৰু অকাৰণ হাৰাশাস্তি নহয়, সেয়া নিশ্চিত কৰাটো এখন জনকল্যাণকামী গণতান্ত্ৰিক ৰাষ্ট্ৰৰ প্ৰধান দায়িত্ব। পৰিৱেশ সুৰক্ষা, ৰাষ্ট্ৰীয় অৰ্থনীতি আৰু নাগৰিকৰ স্বাৰ্থ এই তিনিওটাৰ মাজত এক সঠিক আৰু নিখুঁত ভাৰসাম্য ৰক্ষা কৰিব পাৰিলেহে ই-২০ পেট্ৰ'লৰ দৰে এক অভিলাষী ৰাষ্ট্ৰীয় প্ৰকল্পই প্ৰকৃত অৰ্থত সফলতা লাভ কৰিব পাৰিব। ■



চতুৰ্থ পৃষ্ঠাৰ পৰা ঃ —

# গৰমৰ বন্ধ

সুদৃঢ় হয় আৰু ৰোগ প্ৰতিৰোধ ক্ষমতা বৃদ্ধি পায়। খেলা-ধূলাই ছাত্ৰ-ছাত্ৰীসকলক দলগতভাৱে কাম কৰাৰ প্ৰেৰণা দিয়ে, নেতৃত্ব বহন কৰাৰ গুণ শিকায় আৰু পৰাজয়কো সহজভাৱে গ্ৰহণ কৰাৰ মানসিক ধৈৰ্য গঢ়ি তোলে। যোগাসন আৰু প্ৰাণায়ামৰ চৰ্চাই এই সময়ত শিশুৰ মানসিক স্থিৰতা বৃদ্ধি কৰিব পাৰে।

বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ সামাজিক আৰু স্বাস্থ্যজনিত প্ৰত্যাহ্বান হৈছে শিশু-কিশোৰসকলৰ ম'বাইল ফোন বা অনলাইন গেমৰ প্ৰতি থকা অত্যধিক আসক্তি। গৰমৰ বন্ধত বহু শিক্ষাৰ্থীয়ে দিনটোৰ অধিকাংশ সময় ডিজিটেল স্ক্ৰীনৰ সমুখত কটাই দিয়ে, যাৰ ফলত চকুৰ দৃষ্টিশক্তি ক্ষতিগ্ৰস্ত হোৱাৰ লগতে স্থূলতা, অনিদ্ৰা আৰু মনোযোগহীনতাৰ দৰে গুৰুতৰ সমস্যাই দেখা দিয়ে। এই ভয়াৱহ ডিজিটেল মায়াজালৰ পৰা শিশুমনক মুক্ত কৰাৰ আটাইতকৈ ফলপ্ৰসূ উপায় হৈছে গ্ৰন্থ অধ্যয়নৰ অভ্যাস গঢ়ি তোলা। পাঠ্যপুথিয়ে কেৱল পৰীক্ষাত উত্তীৰ্ণ হোৱাত সহায় কৰে; কিন্তু পাঠ্যপুথিৰ বাহিৰৰ কিতাপে মানুহক জীৱনৰ বিশালতা বুজাত সহায় কৰে। বন্ধৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলক আমাৰ জাতীয় বুৰঞ্জী, লোকসংস্কৃতি, বিশ্ববিখ্যাত মনীষীসকলৰ জীৱনী আৰু বিজ্ঞানভিত্তিক প্ৰবন্ধ পঢ়িবলৈ উৎসাহিত কৰিব লাগে। লক্ষ্মীনাথ বেজবৰুৱা, মহাত্মা গান্ধী, ড° এ পি জে আব্দুল কালাম বা ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ দৰে মহান ব্যক্তিৰ আদৰ্শই শিশুৰ মনত নৈতিকতা আৰু মানৱীয় মূল্যবোধ জগাই তোলে। কিতাপ পঢ়িলে ম'বাইলৰ দৰে তৈয়াৰী দৃশ্য দেখা পোৱা নাযায়; কিন্তু শিশুৰ মনত চৰিত্ৰবোৰ স্বয়ংক্ৰিয়ভাৱে গঢ়ি উঠে, যিয়ে তেওঁলোকৰ কল্পনাশক্তি, শব্দভাণ্ডাৰ আৰু লিখন শৈলী অত্যন্ত উন্নত কৰি তোলে।

গৰমৰ বন্ধ আৰম্ভ হোৱাৰ লগে লগে বিভিন্ন বিদ্যালয় কৰ্তৃপক্ষয়ো শিক্ষাৰ্থীসকলক এক বৃহৎ পৰিমাণৰ গৃহকৰ্ম বা হ'মৱৰ্কৰ বোজা জাপি দিয়া এক পৰম্পৰাগত নিয়মত পৰিণত হৈছে। বহু শিক্ষক বা অভিভাৱকৰ ধাৰণা যে বন্ধত অহৰহ পঢ়া-শুনা নকৰিলে শিশুৱে সকলো পঢ়া পাহৰি যাব। কিন্তু মনোবিজ্ঞানীসকলৰ মতে, অত্যধিক মানসিক চাপে শিশুৰ শিকাৰ প্ৰতি থকা স্বভাৱসুলভ আগ্ৰহ কমাই পেলায় আৰু বন্ধৰ আচল উদ্দেশ্যকে নষ্ট কৰে। শিক্ষাৰ্থীসকলৰ বাবে এই বন্ধটো এক মানসিক সকাহ আৰু পুনৰ্নিৰ্মাণৰ সময় হ'ব লাগে। সেয়েহে গৃহকৰ্মৰ কৰ্তব্য আৰু খেলিবলৈ বা মুক্তভাৱে চিন্তা কৰিবলৈ পোৱা স্বাধীনতাৰ মাজত এক সুন্দৰ ভাৰসাম্য ৰখাটো অপৰিহাৰ্য। বন্ধৰ প্ৰথম দিনাই অভিভাৱক আৰু শিক্ষাৰ্থীয়ে বন্ধুত্বপূৰ্ণ পৰিৱেশত মিলি সমগ্ৰ মাহটোৰ বাবে এক সুষম সময়সূচী বা দিনপঞ্জী তৈয়াৰ কৰি ল'ব লাগে। দিনটোৰ এক নিৰ্দিষ্ট আৰু চুটি সময় যেনে— পুৱাৰ এঘণ্টা বা দুঘণ্টা বিদ্যালয়ৰ গৃহকৰ্মৰ বাবে সংৰক্ষিত কৰিব লাগে। বাকী সময়খিনি শিশুটিৰ নিজৰ ইচ্ছা অনুসৰি খেলা-ধূলা, প্ৰকৃতি নিৰীক্ষণ বা জিৰণিৰ বাবে মুক্ত কৰি দিব লাগে। ইয়াৰ দ্বাৰা শিশুটিয়ে সময়ৰ সঠিক ব্যৱস্থাপনা শিকাৰ লগতে কোনো কামকে বোজা বুলি অনুভৱ নকৰে আৰু স্বতঃস্ফূৰ্তভাৱে কামবোৰ সম্পূৰ্ণ কৰিবলৈ শিকে। বিদ্যালয় কৰ্তৃপক্ষয়ো গতানুগতিকভাৱে প্ৰশ্নৰ উত্তৰ লিখিবলৈ দিয়াৰ পৰিৱৰ্তে ব্যৱহাৰিক, সমাজমুখী আৰু সৃজনীশীল প্ৰকল্প যুগুতাই দিব লাগে। যেনে— ঘৰৰ বাৰীত কোনো এটা গছৰ পুলি ৰোপণ কৰি তাৰ দৈনিক বৃদ্ধি পৰ্যবেক্ষণ কৰি দিনলিপি লিখা, নিজৰ আইতা বা ককাৰ পৰা পুৰণি দিনৰ সমাজ ব্যৱস্থা বা লোকসংস্কৃতিৰ কথা বুজি লৈ তাক চুটি প্ৰবন্ধৰ ৰূপ দিয়া বা বজাৰ কৰোতে হিচাপ-নিকাচ কেনেকৈ কৰিব লাগে তাৰ ব্যৱহাৰিক শিক্ষা লোৱা। লগতে ঘৰুৱা কাম-কাজ যেনে— নিজৰ কোঠাটো পৰিষ্কাৰ কৰা, কাপোৰ জাপি ৰখা, ফুলনিৰ যতন লোৱা বা পাকঘৰৰ সৰু-সুৰা কামত সহায় কৰিবলৈ দিব লাগে। ইয়াৰ দ্বাৰা তেওঁলোকৰ মাজত শ্ৰমৰ প্ৰতি শ্ৰদ্ধা, স্বাৱলম্বিতা আৰু পৰিয়ালৰ প্ৰতি দায়িত্ববোধ গঢ়ি উঠে।

প্ৰকৃতি আৰু বাস্তৱ পৃথিৱীখন হৈছে আটাইতকৈ ডাঙৰ বিদ্যালয়। কিতাপৰ পাতত পঢ়া কোনো এটা ঐতিহাসিক বা বৈজ্ঞানিক পৰিঘটনা যেতিয়া এজন শিক্ষাৰ্থীয়ে চকুৰ সমুখত প্ৰত্যক্ষ কৰে, তেতিয়া সেই জ্ঞান চিৰস্থায়ী হৈ পৰে। গতিকে গৰমৰ বন্ধৰ আন এক অপৰিহাৰ্য অংগ হ'ব লাগে শিক্ষামূলক ভ্ৰমণ। অসমৰ ভৌগোলিক আৰু সাংস্কৃতিক বৈচিত্ৰ্য ইমানেই চহকী যে ইয়াত ভ্ৰমণ কৰি ছাত্ৰ-ছাত্ৰীসকলে অসাধাৰণ বাস্তৱিক জ্ঞান লাভ কৰিব পাৰে। শিৱসাগৰৰ ৰংঘৰ-কাৰেংঘৰ, চৰাইদেউ মৈদাম বা তেজপুৰৰ মহাভৈৰৱ ভ্ৰমণ কৰিলে তেওঁলোকে বাণৰজা বা আহোম ৰাজত্বকালৰ ইতিহাস আৰু মধ্যযুগীয় স্থাপত্য শিল্পৰ বাস্তৱিক স্পৰ্শ লাভ কৰিব, যিয়ে জাতীয় ঐতিহ্যৰ প্ৰতি এক গৌৰৱবোধ জগাই তুলিব। একেদৰে কাজিৰঙা, মানস বা নামেৰীৰ দৰে বনাঞ্চল ভ্ৰমণে জৈৱ-বৈচিত্ৰ্য আৰু পৰিৱেশ সংৰক্ষণৰ ব্যৱহাৰিক শিক্ষা প্ৰদান কৰিব। আকৌ গুৱাহাটী আঞ্চলিক বিজ্ঞান কেন্দ্ৰ বা তাৰকাগৃহই মহাকাশ বিজ্ঞানৰ প্ৰতি ধাউতি বঢ়াব আৰু মাজুলী বা বৰপেটাৰ সত্ৰসমূহে শংকৰী সংস্কৃতি তথা ধৰ্মনিৰপেক্ষতাৰ প্ৰায়োগিক শিক্ষা দিব। এই ভ্ৰমণে বিভিন্ন জনগোষ্ঠীৰ জীৱনশৈলীৰ সৈতে পৰিচয় ঘটাই শিশুমনৰ সংকীৰ্ণতা দূৰ কৰিব আৰু বৈচিত্ৰ্যৰ মাজত একতাৰ যি ভাৰতীয় মূলমন্ত্ৰ, তাক বাস্তৱ জীৱনত অনুভৱ কৰোৱাব।

গৰমৰ বন্ধ কেৱল শিক্ষাবৰ্ষৰ দিনপঞ্জীৰ এটা সাধাৰণ বন্ধৰ সূচী নহয়, ই হৈছে মানৱ সম্পদ গঢ়াৰ এক গুৰুত্বপূৰ্ণ অৱকাশ। এই সমগ্ৰ প্ৰক্ৰিয়াটো সফল কৰিবলৈ হ'লে অভিভাৱকসকলৰ ভূমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ। তেওঁলোকে নিজৰ সন্তানক আন শিশুৰ সৈতে তুলনা কৰি এক মানসিক প্ৰতিযোগিতাৰ মাজলৈ ঠেলি নিদি, সন্তানৰ স্বতন্ত্ৰ প্ৰতিভাক বিকশিত কৰিবলৈ চেষ্টা কৰা উচিত। বন্ধৰ দিনকেইটাত সন্তানক গুণগত সময় দিয়া, তেওঁলোকৰ মনৰ কথা জনা, একেলগে বহি কোনো বিষয় লৈ আলোচনা কৰা আৰু তেওঁলোকক এজন ভাল নাগৰিক হৈ উঠাৰ প্ৰেৰণা যোগোৱাটো প্ৰতিগৰাকী পিতৃ-মাতৃৰে পৰম কৰ্তব্য হোৱা উচিত। একেদৰে শিক্ষক আৰু বিদ্যালয় কৰ্তৃপক্ষৰো দায়িত্ব বন্ধ শেষ হোৱাৰ পিছত এক নতুন ৰূপত আৰম্ভ হয়। বন্ধৰ অন্তত যেতিয়া বিদ্যালয় পুনৰ খুলিব, তেতিয়া কেৱল গৃহকৰ্মৰ বহীখন পৰীক্ষা কৰি নম্বৰ দিয়াতে ক্ষান্ত নাথাকি, প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে বন্ধৰ দিনকেইটাত কি কি নতুন অভিজ্ঞতা অৰ্জন কৰিলে, কি নতুন দক্ষতা শিকিলে, কি কিতাপ পঢ়িলে বা ক'লৈ ফুৰিবলৈ গ'ল— সেই সকলোবোৰ বিষয় লৈ শ্ৰেণীকোঠাত এক মুকলি আলোচনাৰ পৰিৱেশ সৃষ্টি কৰিব লাগে। এক কথাত অহা ১ জুলাইৰ পৰা হ'বলগীয়া এই গৰমৰ বন্ধটোক আমাৰ নতুন প্ৰজন্মৰ মানসিক উৎকৰ্ষ সাধন, সৃজনীশীলতাৰ উন্মেষ আৰু এক সুস্থ, সবল তথা মানৱীয় ব্যক্তিত্ব গঠনৰ এক সোণালী খোজলৈ ৰূপান্তৰিত কৰাটো সকলোৰে কৰ্তব্য হোৱা উচিত। ■

অষ্টম পৃষ্ঠাৰ পৰা ঃ —

# হত্যাৰ আৰৰ কাহিনী

হৈ চেলুনৰ চকী দাঙি তাৰ মূৰত মাৰি দিলে। তাৰ মূৰ ফাটি তেজ বৈ গ'ল। তথাপি সি একো উত্তৰ নিদি বিজয় উল্লাসৰ হাঁহি মাৰি আতৰি গ'ল। যিহেতু ল'ৰাটোৰ খুব জ্বৰ দুয়ো হাস্পতাললৈ ল'ৰাটো লৈ গ'ল সিদিনা ৰাতি দুয়োৰে টোপনি নাহিল।

মালাই গোটেই ৰাতি কান্দিলে। মণি মৌন হৈ ৰ'ল। মণি পিছদিনা আকৌ থানালৈ গ'ল যদিও কামত নাহিল।

আজি আকৌ ৩০ তাৰিখ। ৰাজু আহিব। মণি সিদিনা প্ৰস্তুত।

সিদিনা সি কাৰো চুলি ডাৰি কটা নাই।

গা বেয়া বুলি চেলুনৰ জপনা আধা মেলি থৈছে। চেলুনত কোনো নাই। আকাশতো ক'লা মেঘে ছানি ধৰিছে।। হঠাৎ ৰাজু আহিল।

ৰাজু ঃ ঐ... পোৱালি চেলুন আধা খুলা যে?

মণি ঃ বহক দাদা আজি গা বেয়া।

ৰাজু ঃ দাদা কৈছে? সন্মান দিছ ভাল কৰিছ। তোৰ বাপেৰে সোনকালে বুজি পাইছিল। তই অলপ দেৰিকে বুজিলি। ঠিক আছে হ'ব বাদ দে...

মণি ঃ মালাৰ চকুলো ভাহি আহি... বহক বহক দাদা সোনকালে বহক , আপোনাৰ ডাৰি কাটি মই ঘৰত যাম মোৰ গা বেয়া।

ৰাজু ঃ গা বেয়া নে ঘৈণীয়েৰৰ মনত পৰিছে।

মণি ঃ বাদ দিয়ক হে দাদা আগতে ডাৰি কাটি লও।

ৰাজু ঃ উম... ভালকে কাট।

মণি ৰাজুৰ গালত চাবোন লেপি খুড়খন ধাৰাই আছে।

ৰাজু ঃ ঐ পোৱালি খুড়খন আগতেই ধাৰাই থব নোৱাৰা নেকি?

মণি ঃ ৰ'ব দাদা হৈ গ'ল।

নীৰৱে সি ডাৰি কাটি গ'ল।

মালাৰ চকুলো, নিৰ্যাতন ভাহি আহিছে তাৰ মনত। অসুৰৰ বলি দিব লাগিব যেন অনুভৱ।

ৰাজু ঃ ঐ পোৱালি ডাৰি কাট ঘৈণীয়েৰৰ কথা ভাবি আছা নেকি?

হঠাৎ উত্তেজিত হৈ মণিয়ে খুড়েৰে ৰাজুৰ ডিঙি হেঁপি দিলে। ৰাজু মুহূৰ্ততে চটফটাই নিশ্বাস ত্যাগ কৰে। মণিয়ে নিৰুপায় হৈ হত্যা কৰিলে অসুৰৰূপী ৰাজু গুণ্ডাক।

মণি আৰু মালা আজিও আছে নয়নপুৰত তেওঁ লোকৰ সন্তান নয়ন আজি এজন নিষ্ঠাবান পুলিচ বিষয়া। ■

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

# হোমৱ'ৰ্ক আৰু পৰীক্ষাৰ চাপ

পাৰে। ভাৰতৰ নেচনেল মেণ্টেল হেল্থ ছাৰ্ভে (২০১৬)ৰ তথ্য অনুসৰি, ১৩-১৭ বছৰ বয়সৰ প্ৰায় ৭.৩% শিশু মানসিক চাপ সম্পৰ্কীয় সমস্যাৰ সন্মুখীন হয় আৰু এই সংখ্যা প্ৰাইভেট স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অধিক। ইয়াৰ উপৰি অত্যধিক চাপৰ ফলত শিশুৰ সৃজনশীলতা আৰু সমস্যা সমাধানৰ ক্ষমতা হ্ৰাস পায়, যিয়ে তেওঁলোকৰ ভৱিষ্যতৰ কেৰিয়াৰৰ ওপৰত প্ৰভাৱ পেলায়। কিছুমান ক্ষেত্ৰত, এই চাপৰ ফলত শিশুৰ মাজত আত্মহত্যাৰ প্ৰৱণতাও দেখা দিয়ে, যিটো অতি গুৰুতৰ সমস্যা। উদাহৰণস্বৰূপে, ভাৰতৰ চহৰাঞ্চলৰ প্ৰাইভেট স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ মাজত পৰীক্ষাৰ চাপৰ বাবে আত্মহত্যাৰ ঘটনা সঘনাই শুনা যায়।

এই সমস্যাৰ সমাধানৰ বাবে বহুমুখী পদক্ষেপৰ প্ৰয়োজন। প্ৰথমতে, প্ৰাইভেট স্কুলসমূহে হোমৱ'ৰ্কৰ পৰিমাণ হ্ৰাস কৰি শিশুৰ বয়স আৰু ক্ষমতাৰ সৈতে সামঞ্জস্যপূৰ্ণ কাৰ্যকলাপৰ ওপৰত গুৰুত্ব দিব লাগে। উদাহৰণস্বৰূপে, প্ৰাথমিক বিদ্যালয়ৰ শিশুৰ বাবে হোমৱ'ৰ্কৰ পৰিমাণ দৈনিক এঘণ্টাৰ ভিতৰত সীমিত কৰিব পাৰি। দ্বিতীয়তে, পৰীক্ষাৰ ব্যৱস্থাত সংস্কাৰৰ প্ৰয়োজন। পৰীক্ষাৰ পৰিৱৰ্তে শিশুৰ সামগ্ৰিক বিকাশৰ ওপৰত গুৰুত্ব দি প্ৰকল্প-ভিত্তিক শিক্ষণ (project-based learning) আৰু কাৰ্যকলাপ-ভিত্তিক মূল্যায়নৰ ব্যৱস্থা কৰিব পাৰি। ইয়াৰ ফলত শিশুৰ সৃজনশীলতা আৰু সমস্যা সমাধানৰ ক্ষমতা বৃদ্ধি পাব। তৃতীয়তে, অভিভাৱক আৰু শিক্ষকৰ মানসিকতাৰ পৰিৱৰ্তনৰ প্ৰয়োজন। তেওঁলোকে শিশুৰ ওপৰত অত্যধিক প্ৰত্যাশা জাপি দিয়াৰ পৰিৱৰ্তে তেওঁলোকৰ সামগ্ৰিক বিকাশৰ ওপৰত গুৰুত্ব দিব লাগে। উদাহৰণস্বৰূপে, শিশুৰ খেলাধুলা, সংগীত আৰু আন সৃজনশীল কাৰ্যকলাপৰ প্ৰতি আগ্ৰহক উৎসাহিত কৰিব লাগে।

ইয়াৰ উপৰি শিশুৰ মানসিক স্বাস্থ্যৰ প্ৰতি গুৰুত্ব দিয়াটো অতি জৰুৰী। প্ৰাইভেট স্কুলসমূহে মানসিক স্বাস্থ্যৰ পৰামৰ্শদাতা (counsellors) নিয়োগ কৰি শিশুৰ মানসিক চাপৰ সমাধানৰ বাবে পদক্ষেপ গ্ৰহণ কৰিব পাৰে। ইয়াৰ লগতে, শিশুৰ মাজত মানসিক চাপ পৰিচালনাৰ দক্ষতা গঢ়ি তুলিবলৈ যোগ, ধ্যান আৰু মাইণ্ডফুলনেছৰ দৰে কাৰ্যকলাপৰ ব্যৱস্থা কৰিব পাৰি। শিক্ষা নীতিৰ স্তৰতো সংস্কাৰৰ প্ৰয়োজন। ভাৰতৰ নতুন শিক্ষা নীতি (NEP 2020)ত শিশুৰ সামগ্ৰিক বিকাশৰ ওপৰত গুৰুত্ব দিয়া হৈছে; কিন্তু প্ৰাইভেট স্কুলসমূহে

এই নীতিৰ কাৰ্যকৰীকৰণৰ দিশত অধিক পদক্ষেপ গ্ৰহণ কৰিব লাগে।

শেষত, বহুতো প্ৰাইভেট স্কুলৰ অত্যধিক হোমৱ'ৰ্ক আৰু পৰীক্ষাৰ চাপে শিশুৰ শৈশৱৰ আনন্দ নষ্ট কৰাৰ লগতে তেওঁলোকৰ মানসিক, শাৰীৰিক আৰু সামাজিক স্বাস্থ্যৰ ওপৰত গুৰুতৰ প্ৰভাৱ পেলাইছে। এই সমস্যাৰ সমাধানৰ বাবে শিক্ষক, অভিভাৱক, স্কুল প্ৰশাসন আৰু নীতি নিৰ্ধাৰকসকলৰ সমন্বিত প্ৰচেষ্টাৰ প্ৰয়োজন। শিক্ষা ব্যৱস্থাই শিশুৰ একাডেমিক সফলতাৰ লগতে তেওঁলোকৰ সামগ্ৰিক বিকাশৰ ওপৰত গুৰুত্ব দিলে শিশুসকলে চাপমুক্ত জীৱন যাপন কৰি নিজৰ সম্পূৰ্ণ সম্ভাৱনা বিকাশ কৰিব পাৰিব। এই দিশত পদক্ষেপ গ্ৰহণ কৰাটো কেৱল শিশুৰ বাবেই নহয়, সমাজৰ ভৱিষ্যতৰ স্বাৰ্থতো অতি জৰুৰী। ■

# ভোটাৰ তালিকাৰ পৰা কৰ্তন

*প্ৰথম পৃষ্ঠাৰ পৰা ঃ —* চিৰাঙৰ ১৪,৯৯৯ গৰাকী, বৰপেটাৰ ২৬,১২৬ গৰাকী, বজালীৰ ৯,১৬৩ গৰাকী, কামৰূপৰ ৫৭,৫০৪ গৰাকী, কামৰূপ মহানগৰৰ ৫৩,৩৪৫ গৰাকী, নলবাৰীৰ ২৫,৮০১ গৰাকী, বাক্সাৰ ১৮,৪৪৯ গৰাকী, তামুলপুৰৰ ২৩,৪৮২ গৰাকী, ওদালগুৰিৰ ৪৪,৫১৯ গৰাকী, দৰঙৰ ২৮,৩৫০ গৰাকী, মৰিগাঁৱৰ ২১,০১৯ গৰাকী, নগাঁৱৰ ৪৪,৫২৭ গৰাকী, শোণিতপুৰৰ ৫০,৭২৮ গৰাকী, বিশ্বনাথৰ ২৩,৩৯৩ গৰাকী, লখিমপুৰৰ ৫০,৫১৭ গৰাকী, ধেমাজিৰ ১৬,১৫৩ গৰাকী, তিনিচুকীয়াৰ ৬৯,৯১৫ গৰাকী, ডিব্ৰুগড়ৰ ৫১,৭০৪ গৰাকী, চৰাইদেউৰ ১৬,১৮৫ গৰাকী, শিৱসাগৰৰ ১৯,১৮২ গৰাকী, যোৰহাটৰ ৪১,০১৪ গৰাকী, গোলাঘাটৰ ৫৮,৭১৬ গৰাকী, কাৰ্বি আংলঙৰ ২৫,৩৮১ গৰাকী, ডিমা হাচাওৰ ২,৮২৬ গৰাকী, হাইলাকান্দিৰ ১৫,৭৫৭ গৰাকী আৰু শ্ৰীভূমি জিলাৰ ৫৪,৩৮৪ গৰাকী ভোটাৰৰ নাম কৰ্তন হৈছে ভোটাৰ তালিকাৰ পৰা।

# দেশৰ প্ৰথম স্থানত অসম

*প্ৰথম পৃষ্ঠাৰ পৰা ঃ —* আঁচনিৰ জৰিয়তে। মহাত্মা গান্ধী এনৰেগা আঁচনিৰ অধীনত অসমে ইতিমধ্যেই QR সংলগ্ন স্মাৰ্ট কাৰ্ড প্ৰৱৰ্তন কৰি স্বচ্ছ ৰূপত সফলভাৱে সেৱা প্ৰদানৰ ব্যৱস্থা কৰিছে। এই স্মাৰ্ট কাৰ্ডসমূহে নিয়োগ পৰিসংখ্যা, ৰিয়েল টাইম ট্ৰেকিং, ক্ষিপ্ৰতাৰে তথ্য পৰীক্ষণ, দায়বদ্ধতা ৰক্ষা সম্ভৱ কৰি তুলিছে। সমগ্ৰ প্ৰক্ৰিয়াত ব্যৱহাৰ হোৱা সময় বহু পৰিমাণে হ্ৰাস কৰিছে। গ্ৰামাঞ্চলৰ আন্তঃগাঁথনিৰ উন্নয়ন, জল সুৰক্ষা, কৰ্মস্থলীত প্ৰাথমিক চিকিৎসা আদিৰ সুচল ব্যৱস্থা কৰা হৈছে এই আঁচনিৰ অধীনত। পুখুৰী আদি খন্দাৰ লগতে বাট পথ নিৰ্মাণৰ ব্যৱস্থা কৰাও এই আঁচনিৰ অন্যতম উদ্দেশ্য। ৰূপায়ণৰ বাবে হাতত লোৱা গৰিষ্ঠ সংখ্যক কাম প্ৰত্যক্ষভাৱে গাঁও পঞ্চায়তৰ জৰিয়তে সম্পন্ন হ'ব। এইদৰেই গ্ৰামাঞ্চল আৰু গঞা ৰাইজৰ উন্নয়নেৰে দেশক প্ৰগতিৰ পথেৰে আগুৱাই নিয়াৰ প্ৰয়াস চলিছে VB-G RAM G আঁচনিৰ জৰিয়তে।

**তৃতীয় পৃষ্ঠাৰ পৰা ঃ —**

# ২২৬৫ ছাত্ৰ-ছাত্ৰীক ডিগ্ৰী

পথত নামি পৰাৰ লগে লগে তেওঁলোকৰ প্ৰতিজনকে মোৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জনাইছো।' তেওঁ লগতে কয় যে বিগত এটা বছৰত প্ৰকাশিত ২,৪৭৮ খন গৱেষণা পত্ৰৰ সৈতে আই আই টি গুৱাহাটীয়ে গৱেষণা আৰু উদ্ভাৱনৰ এক অগ্ৰণী কেন্দ্ৰ হিচাপে নিজৰ স্থান শক্তিশালী কৰি ৰাখিছে। আমি সক্ৰিয়ভাৱে অত্যাধুনিক গৱেষণাৰ সুবিধাৰে আমাৰ কেম্পাছৰ আন্তঃগাঁথনি সম্প্ৰসাৰণ কৰাৰ লগতে আমাৰ ইনকিউবেচন ইক'ছিষ্টেম বৃদ্ধি কৰিছো। তদুপৰি আমি একাধিক ফ্ৰন্টত আগবাঢ়ি গৈ প্ৰতিভা আৰু উদ্ভাৱনক লালন-পালন কৰা এক সজীৱ আৰু ভৱিষ্যতৰ বাবে সাজু পৰিৱেশ তন্ত্ৰ সৃষ্টি কৰিছ। ইনষ্টিটিউটখনে ইয়াৰ উপৰি মানসিক স্বাস্থ্য, যোগাসন আৰু মংগলৰ সুবিধাসমূহৰ সুবিধা উন্নত কৰি ছাত্ৰ-ছাত্ৰীৰ সহায়ক ব্যৱস্থাসমূহ শক্তিশালী কৰা হৈছে। সঞ্চালক ড° দেবেন্দ্ৰ জলিহালে আগন্তুক দিনত শিক্ষাৰ্থীসকলক সময়োপযোগী শিক্ষাৰ লগতে জাগীৰোডত নিৰ্মীয়মান ছেমি কণ্ডাক্টৰত নিয়োজিত হ'ব পৰা দক্ষ অভিযন্তা সৃষ্টি কৰা হ'ব বুলি উল্লেখ কৰে। সমাৱৰ্তনৰ ভাষণ প্ৰদান কৰি মুখ্য অতিথি ড° শিৱকুমাৰ কল্যানাৰমণে স্নাতক ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জ্ঞাপন কৰি ছাত্ৰ-ছাত্ৰীসকলক সফল কেৰিয়াৰ কামনা কৰে। ছাত্ৰ-ছাত্ৰীসকলক নিজৰ জ্ঞান ব্যৱহাৰ কৰি সমাজত এক অৰ্থপূৰ্ণ প্ৰভাৱ সৃষ্টি কৰাৰ বাবে আহ্বান জনায়। তেওঁ লগতে দ্ৰুতগতিত বিকশিত হোৱা বিশ্বত কেতিয়াও শিক্ষণ বন্ধ নকৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। সভাপতিৰ ভাষণত আই আই টি গুৱাহাটীৰ ৰাজ্যপাল ব'ৰ্ডৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° প্ৰহ্লাদা ৰামা ৰাৱে কয় যে স্নাতক ডিগ্ৰী লাভ কৰা সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। গুৱাহাটী আই আই টিয়ে গৱেষণা, উদ্ভাৱন, আৰু জাতি-নিৰ্মাণ পদক্ষেপৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ জৰিয়তে ভাৰতৰ বৃদ্ধিৰ যাত্ৰাত উল্লেখযোগ্য ভূমিকা পালন কৰিছে বুলি সভাপতি গৰাকীয়ে লগতে কয়। উল্লেখ্য যে গুৱাহাটী আই আই টিয়ে মুঠ ২২৬৫ গৰাকী ছাত্ৰ ছাত্ৰীক বিভিন্ন শাখাত ডিগ্ৰী প্ৰদান কৰিছে। স্নাতক ডিগ্ৰীধাৰী ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত আছে— ৩২ গৰাকী ছাত্ৰ-ছাত্ৰীক বি টেক্, ৫০ গৰাকীক বি ডেচ, ৫৫৬ গৰাকী ছাত্ৰ-ছাত্ৰীক এম টেক্, ৬০ গৰাকী ছাত্ৰ-ছাত্ৰীক এম ডেচ, ৪১২ গৰাকী ছাত্ৰ-ছাত্ৰীক পি এইচ ডি আৰু ডুৱেল (মাষ্টাৰ + পি এইচ ডি) ১৭০ গৰাকী ছাত্ৰ-ছাত্ৰীক এমএছচি, ৪৪ গৰাকীক এম এ, ১৪ গৰাকীক এম এছ (গৱেষণা)ৰ আৰু ২৭ গৰাকীক এম বি এৰ ডিগ্ৰী প্ৰদান কৰা হয়। ইয়াৰে সপ্তৰ্শী মুখাৰ্জী, বি টেক্ ডাটা বিজ্ঞান আৰু কৃত্ৰিম বুদ্ধিমত্তাত স্নাতক ডিগ্ৰী লাভ কৰে আৰু সমগ্ৰ স্নাতক বেটচ্‌ত শীৰ্ষ নম্বৰ লাভ কৰি ভাৰতৰ ৰাষ্ট্ৰপতি স্বৰ্ণ পদক লাভ কৰে। অত্ৰি চট্টোপাধ্যায়, বি ইলেক্ট্ৰনিক্স আৰু ইলেক্ট্ৰিকেল ইঞ্জিনিয়াৰিঙত ড° শংকৰ দয়াল শৰ্মা স্বৰ্ণ পদক লাভ কৰে। ইয়াৰ উপৰি প্ৰনীল ভট্টাচাৰ্য, এম. ৰাসায়নিক অভিযান্ত্ৰিকীত, অসমৰ ৰাজ্যপাল পি জি স্বৰ্ণ পদক লাভ কৰাৰ বিপৰীতে সৰ্থক কাপুৰ, বি. কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্ৰিকীত ডিগ্ৰী লাভ কৰি, অসমৰ ৰাজ্যপাল ইউ জি স্বৰ্ণ পদক লাভ কৰে। শিক্ষানুষ্ঠানৰ উল্লেখযোগ্য শৈক্ষিক প্ৰদৰ্শনৰ বাবে ১৮ গৰাকী ছাত্ৰ-ছাত্ৰীক ইনষ্টিটিউটৰ ৰূপৰ পদক প্ৰদান কৰা হয়।

# নিত্যানন্দত 'সাধুৰ জোলোঙাখনি' উন্মোচন



**অসম ভূমি সেৱা, পাঠশালা ঃ** বজালী জিলাৰ অন্তৰ্গত নিত্যানন্দৰ দাস ফাৰ্নিচাৰ হাউচত যোৱা দেওবাৰে এখন গ্ৰন্থ উন্মোচনী সভা সম্পন্ন হয়। বিদ্যাভৱন নিত্যানন্দ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত সহকাৰী প্ৰধান শিক্ষক অচ্যুত চন্দ্ৰ দাস আৰু নিত্যানন্দস্থিত দাস ফাৰ্নিচাৰ হাউচৰ স্বত্বাধিকাৰী, বিশিষ্ট শিল্পী হিতেশ দাসৰ দ্বৈত প্ৰচেষ্টাত লিখি উলিওৱা সাধুকথাৰ পুথি 'সাধুৰ জোলোঙাখনি' গ্ৰন্থ খন উন্মোচন কৰা হয়। বিদ্যাভৱন নিত্যানন্দ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মাধৱ চন্দ্ৰ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাত পুথিখন উন্মোচন কৰে বাণী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ ভূপেন্দ্ৰ কুমাৰ বৰ্মনে। ভাষণ প্ৰসংগত বৰ্মনে কয় যে গ্ৰন্থ এখন জাতিৰ দাপোণ, সমাজৰ দাপোণ। ইয়ে আমাক সমাজত চিনাকী কৰি দিয়াত সহায় কৰে। গ্ৰন্থ প্ৰকাশ, গ্ৰন্থ অধ্যয়ন আমাৰ জীৱনৰ অবিচ্ছেদ্য অংগ। বিশিষ্ট মননশীল নিবন্ধকাৰ, সহকাৰী খণ্ড উন্নয়ন বিষয়া দিলীপ কুমাৰ শৰ্মাই অনুষ্ঠানটোৰ আঁতধৰাৰ লগতে লেখকৰ পৰিচিতি সভাত দাঙি ধৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অৱসৰী শিক্ষক হৰেন্দ্ৰ নাথ মজুমদাৰে ভাষণ প্ৰসংগত গ্ৰন্থ অধ্যয়নৰ আৱশ্যকতাৰ ওপৰত বিস্তৃত বক্তব্য আগবঢ়ায়। তেওঁ গ্ৰন্থ এখনক মৌচাকৰ লগত তুলনা কৰে। নিৰ্দিষ্ট বক্তাৰ ভাষণত অৱসৰপ্ৰাপ্ত শিক্ষক বীৰেন্দ্ৰ কুমাৰ বৰ্মন আৰু তিলক চন্দ্ৰ মেধিয়ে গ্ৰন্থ প্ৰকাশ, গ্ৰন্থ অধ্যয়নৰ আৱশ্যকতাৰ ওপৰত সাৰুলীল ভাষণ আগবঢ়ায়। উক্ত সভাত অসম গৌৰৱ ভাৰত চন্দ্ৰ কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক দুৰ্গেশ্বৰ বৰ্মন, চন্দ্ৰকান্ত তহবিলদাৰ, বিশিষ্ট সমাজকৰ্মী সুধীৰ বৰ্মন আৰু খাৰাধৰা কালি মন্দিৰ হাইস্কুলৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক মহানন্দ নাথে সাৰুৱা ভাষণ প্ৰদান কৰে। অনুষ্ঠানত অচ্যুত চন্দ্ৰ দাস আৰু দিলীপ কুমাৰ শৰ্মাই স্বৰচিত কবিতা পাঠ কৰে। এই গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত আঞ্চলিক উন্নয়ণ সমিতিৰ সম্পাদক জীৱৰাজ ভূঞা, শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ সমিতিৰ সম্পাদক তপন চৌধুৰী, বজালী সাহিত্য কলা পৰিষদৰ সম্পাদক হেমাংগদেৱ চৌধুৰী, জয়ন্ত হাজৰিকা সোঁৱৰণী সংঘৰ উপ-সভাপতি সমুদ্ৰ মেধি, সম্পাদক চম্পক খাটনিয়াৰ, ব্যৱসায়ী সন্থা নিত্যানন্দৰ উপ-সভাপতি বিপুল তহবিলদাৰ, বজালী শ্ৰীশ্ৰীগোপালদেৱ সেৱক সমাজৰ সম্পাদক ভূপেন খাটনিয়াৰকে আদি কৰি বৃহত্তৰ নিত্যানন্দ অঞ্চলৰ বহু সংখ্যক গুণী-জ্ঞানী, সাহিত্যানুৰাগী ব্যক্তি উপস্থিত থাকে।

### অসম বিজ্ঞান সমিতিৰ দক্ষিণ কামৰূপ শাখা

# গণিত-বিজ্ঞান বিষয়ক কৰ্মশালাৰ সামৰণি



**ৰামপুৰ ঃ** অসম বিজ্ঞান সমিতিৰ দক্ষিণ কামৰূপ শাখাৰ উদ্যোগত আয়োজন কৰা সপ্তাহযোৱা গণিত আৰু বিজ্ঞান বিষয়ৰ কৰ্মশালাখনৰ যোৱা সোমবাৰে সফলভাৱে সামৰণি পৰে। যোৱা ৬ জুলাইৰ পৰা ১৩ জুলাইলৈকে মিৰ্জা ছোৱালী হাইস্কুলত অনুষ্ঠিত কৰ্মশালাখনত মিৰ্জা ছোৱালী হাইস্কুল, উদয়াচল আদৰ্শ বিদ্যা মন্দিৰ আৰু কোকঝাৰৰ মহেন্দ্ৰ মোহন চৌধুৰী হাইস্কুলৰ সৰ্বমুঠ ৭২ জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাখনত সমল ব্যক্তি হিচাপে গণিত আৰু বিজ্ঞান বিষয়ৰ পাঠ আগবঢ়ায় ক্ৰমে ঝাৰোবাড়ী আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক ৰবীন্দ্ৰ চন্দ্ৰ দাস, দক্ষিণ কামৰূপ মহাবিদ্যালয়ৰ জৈৱ-প্ৰযুক্তি বিভাগৰ অধ্যাপক মানবেন্দ্ৰ কলিতা, পলাশবাৰী আৰবি উচ্চতৰ আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষক পৰাগমণি দাস, সাতপখলী হাইস্কুলৰ শিক্ষক বিপুল ঠাকুৰীয়া, উদয়াচল আদৰ্শ বিদ্যা মন্দিৰৰ উপাধ্যক্ষ যুগলানন্দ দাস আৰু যুৱ নিবন্ধকাৰ প্ৰসেনজিৎ কলিতাই। উক্ত অনুষ্ঠানত কৰ্মশালাত অংশগ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন গীত-মাত, নাটক, আবৃত্তি, একক অভিনয় আদি প্ৰদৰ্শন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ এই অনুষ্ঠানৰ আঁত ধৰে ক্ৰমে ৰিয়া দাস আৰু শোভনা ৰমেশ দাসে। ইয়াৰ পিছতে আৰম্ভ হোৱা সভাখনত উপস্থিত থাকি ভাষণ আগবঢ়ায় ক্ৰমে অসম বিজ্ঞান সমিতিৰ দক্ষিণ কামৰূপ শাখাৰ কাৰ্যকৰী সভাপতি তথা অৱসৰপ্ৰাপ্ত অধ্যাপক ড° হৰি শংকৰ কাকতি, অৱসৰপ্ৰাপ্ত অধ্যাপক অৰবিন্দ ৰয়, ৰবীন্দ্ৰ চন্দ্ৰ দাস আৰু প্ৰসেনজিৎ কলিতাই। মিৰ্জা ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক তথা অসম বিজ্ঞান সমিতিৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক প্ৰতাপ মালীয়ে এই কাৰ্যসূচীৰ ধাৰাবাহিকতা ধৰি ৰাখিবলৈ অনুৰোধ জনায় আৰু সমল ব্যক্তিসকলক কৃতজ্ঞতা জনায়।

# বকোত দক্ষিণ কামৰূপ ব্ৰাহ্মণ সমাজৰ সভা

**বকো ঃ** ১৯২৫ বৰ্ষতে প্ৰতিষ্ঠা হোৱা দক্ষিণ কামৰূপ জিলা ব্ৰাহ্মণ সমাজৰ এখন গুৰুত্বপূৰ্ণ সাধাৰণ সভা অহা ২৬ জুলাইত বকোত অনুষ্ঠিত হ'ব। বকোৰ নৰপুৰ প্ৰাথমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'বলগীয়া সভাখনত দক্ষিণ কামৰূপ জিলা ব্ৰাহ্মণ সমাজৰ অন্তৰ্গত শাখাসমূহৰ সভাপতি-সম্পাদক সমন্বিতে সদস্য-সদস্যাসকলক উক্তদিনা পুৱা ১০ বজাত উপস্থিত হ'বলৈ সাধাৰণ সম্পাদক দিলীপ কুমাৰ শৰ্মাই এক প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিয়ে।

‘শিশুৰ লগতে বয়োজ্যেষ্ঠ আৱাসীসকলক দিয়া হ’ব মৰ্যাদাসম্পন্ন আৰু সুৰক্ষিত জীৱন’

# বকোত নিৰ্মীয়মান বৃদ্ধাশ্ৰম পৰিদৰ্শন মন্ত্ৰী অজন্তা নেওগৰ



**গুৱাহাটী ঃ** মহিলা আৰু শিশু বিকাশ আৰু পৰ্যটন মন্ত্ৰী অজন্তা নেওগে যোৱা দেওবাৰে কামৰূপ জিলাৰ বকোৰ বামুণীগাঁৱত নিৰ্মীয়মান ‘সংহত বৃদ্ধাশ্ৰম আৰু শিশু প্ৰতিপালন কেন্দ্ৰ’ৰ নিৰ্মাণকাৰ্য পৰিদৰ্শন কৰে। প্ৰায় ৮৫ কোটি টকা ব্যয়সাপেক্ষে উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰতে প্ৰথমবাৰৰ বাবে এইদৰে এক বৃহৎ পৰিসৰত নিৰ্মাণ কৰা অনুষ্ঠানটোৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লৈ মন্ত্ৰীগৰাকীয়ে কামৰ মানক লৈ কোনোধৰণৰ আপোচ নকৰিবলৈ নিৰ্দেশ দিয়ে। চলিত বৰ্ষৰ অক্টোবৰৰ ভিতৰতে কেন্দ্ৰটোৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰাৰ বাবে কামৰ গতি ত্বৰান্বিত কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। এই ভ্ৰমণকালত তেওঁ বিভাগীয় বিষয়া-কৰ্মচাৰীসকলৰ সৈতে এখন পৰ্যালোচনা সভাত মিলিত হয়। তেওঁ কয় যে এই কেন্দ্ৰটো এটা সংস্কাৰমূলক অনুষ্ঠান আৰু ইয়াৰ নিৰ্মাণৰ ক্ষেত্ৰত সুৰক্ষা ব্যৱস্থা নিশ্চিত কৰাটো প্ৰধান অগ্ৰাধিকাৰ হ’ব লাগিব। শিশুৰ সুৰক্ষা আৰু যত্ন জুভেনাইল জাষ্টিচ আইনৰ অধীনত নিশ্চিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি তেওঁ প্ৰতিটো গৃহতে যোগাভ্যাসৰ বাবে উপযুক্ত কক্ষ, পুথিভঁৰাল আদি নিৰ্মাণৰ দিশসমূহ বিতংভাৱে পৰ্যালোচনা কৰে। তেওঁ ইয়াত থাকিবলগীয়া বয়োজ্যেষ্ঠ আৱাসীসকলক এটা মৰ্যাদাসম্পন্ন, সুৰক্ষিত আৰু আৰামদায়ক জীৱন দিয়াৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি নিৰ্মাণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ বিতং প্ৰকল্প প্ৰতিবেদন অনুসৰি কোনো ধৰণৰ গাফিলতি নকৰাকৈ কামসমূহ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত এই অনুষ্ঠানটোৱে গুৰুত্বপূৰ্ণ ভূমিকা ল’ব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্য যে ৬৫ বিঘা ভূমিত নিৰ্মাণ কৰি থকা এই সংহত কেন্দ্ৰত শিশু আৰু বয়োজ্যেষ্ঠসকলৰ বাবে সুকীয়া গৃহ থাকিব। এই গৃহসমূহত একে সময়তে ৩৪৪ জন ল’ৰা-ছোৱালী, কিশোৰ-কিশোৰী, বিশেষভাৱে সক্ষম ল’ৰা-ছোৱালী আৰু বৃদ্ধ আৱাসী থাকিব পাৰিব। এই কেন্দ্ৰত বিনোদন কক্ষ, প্ৰেক্ষাগৃহ, শ্ৰেণীকোঠা, পৰামৰ্শ দান কক্ষ আদি থাকিব। লগতে আৱাসীসকলৰ চিকিৎসাৰ বাবে এখন চিকিৎসালয়ো থাকিব।

## অ’বিচি ছাত্ৰ ছাত্ৰীৰ প্ৰি-মেট্ৰিক পোষ্ট-মেট্ৰিক জলপানীৰ আবেদন আহ্বান

**গুৱাহাটী ঃ** অসমৰ অনুসূচিত জাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ সঞ্চালকালয়ৰ জৰিয়তে ২০২৬-২৭ শিক্ষাবৰ্ষৰ বাবে অন্যান্য পিছপৰা শ্ৰেণী অ’বিচি, অৰ্থনৈতিকভাৱে পিছপৰা শ্ৰেণী ইবিচি আৰু ডি-নটিফাইড ট্ৰাইবছ ডিএনটি শ্ৰেণীৰ যোগ্য ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰি-মেট্ৰিক আৰু পোষ্ট-মেট্ৰিক জলপানীৰ আবেদন আহ্বান কৰা হৈছে। এই বৃত্তিৰ বাবে আবেদনসমূহ National Scholarship Portal (NSP)ৰ জৰিয়তে অনলাইন আবেদন গ্ৰহণ কৰি থকা হৈছে। আবেদন প্ৰক্ৰিয়া যোৱা ১ জুনৰ পৰা আৰম্ভ হৈছে আৰু আবেদন দাখিলৰ অন্তিম তাৰিখ ৩০ ছেপ্টেম্বৰ। প্ৰি-মেট্ৰিক জলপানী কেৱল নৱম আৰু দশম শ্ৰেণীত চৰকাৰী বিদ্যালয়ত অধ্যয়ন কৰা শিক্ষাৰ্থীৰ বাবে উপলব্ধ। আনহাতে, একাদশ শ্ৰেণীৰ ওপৰৰ বিভিন্ন পাঠ্যক্ৰমত অধ্যয়ন কৰা শিক্ষাৰ্থীসকলে পোষ্ট-মেট্ৰিক জলপানীৰ বাবে আবেদন কৰিব পাৰিব। জলপানী সম্পৰ্কীয় অধিক তথ্যৰ বাবে National Scholarship Portalত যোগাযোগ কৰিব পাৰিব।

ললিত কলা কেন্দ্ৰৰ উদ্যোগ

## ৰাজ্যিক ভিত্তিত চিত্ৰাংকন প্ৰতিযোগিতা




**অসম ভূমি সেৱা, পাঠশালা ঃ** ললিত কলা কেন্দ্ৰ, পাঠশালাৰ উদ্যোগত আৰু আৱাহন একাডেমি অব্ আৰ্ট এণ্ড ক্ৰেফ্‌টৰ সহযোগত যোৱা দেওবাৰে পাঠশালাত ৰাজ্যিক ভিত্তিক চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। পাঠশালাৰ জ্যোতিনগৰস্থিত আৱাহন চৌহদত তিনিটা শাখাত অনুষ্ঠিত হয় আৰ্ট এটেক্ট নামৰ চিত্ৰাংকন প্ৰতিযোগিতাখন। চিত্ৰাংকন প্ৰতিযোগিতাৰ ‘ক’ শাখাৰ প্ৰথম শ্ৰেণীৰ পৰা তৃতীয় শ্ৰেণীৰ প্ৰতিযোগিতাত প্ৰথম ঋদ্ৰাশুং কাশ্যপ, দ্বিতীয় ধীয়াংশী কাশ্যপ আৰু তৃতীয় স্থান লাভ কৰে স্বনম মজুমদাৰে। ‘খ’ শাখাৰ চতুৰ্থ শ্ৰেণীৰ পৰা সপ্তম শ্ৰেণীৰ প্ৰতিযোগিতাত প্ৰথম ব্ৰমী ব্ৰহ্ম, দ্বিতীয় মুগ্ধা কাশ্যপ আৰু নৱনীচা ভূঞা, ‘গ’ শাখাৰ অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীৰ প্ৰতিযোগিতাত প্ৰথম পৰিস্মিতা দাস, দ্বিতীয় চুনামী দাস আৰু তৃতীয় স্থান লাভ কৰে চায়ংক তালুকদাৰে। বিজয়ী প্ৰতিযোগিসকলক অনুষ্ঠানতে বঁটা আৰু প্ৰমাণ প্ৰদান কৰাৰ লগতে অংশগ্ৰহণকাৰী প্ৰতিযোগীসকলক শুভেচ্ছা জ্ঞাপন কৰে অন্যতম উদ্যোক্তা জুৰি ৰয়ে।

আন্তঃৰাষ্ট্ৰীয় মানৰ ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণ হৈছে আমিনগাঁৱত ঃ ড° শৰ্মা

# আমিনগাঁৱত নিৰ্মীয়মাণ ক্ৰীড়া প্ৰকল্প পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

**গুৱাহাটী ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা দেওবাৰে আমিনগাঁৱত নিৰ্মীয়মান ২০ হাজাৰখন আসনযুক্ত ক্ৰিকেট ষ্টেডিয়াম আৰু উচ্চমানৰ সাঁতোৰ প্ৰশিক্ষণৰ উপযোগী ছুইমিং পুলৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লয়। উল্লেখ্য যে আমিনগাঁৱত থকা বেডমিণ্টনৰ ৰাষ্ট্ৰীয় উৎকৰ্যতা কেন্দ্ৰৰ কাষতে ক্ৰিকেট ষ্টেডিয়াম আৰু ছুইমিং পুলটো নিৰ্মাণ কৰি থকা হৈছে। এই পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীয়ে উপস্থিত সংবাদ মাধ্যমৰ আগত সদৰী কৰে যে আগন্তুক কেইটামান মাহৰ ভিতৰত ক্ৰিকেট ষ্টেডিয়ামখনৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হ’ব। এই ষ্টেডিয়ামখনৰ সমীপতে থকা ৰে’ল বিভাগৰ ভূমি ৰাজ্য চৰকাৰে লীজত লোৱাৰ পৰিকল্পনা গ্ৰহণ কৰিছে যাতে সেই ভূমিত বহুমহলীয়া গাড়ী পাৰ্কিং ব্যৱস্থা নিৰ্মাণ কৰিব পৰা যায়। আনহাতে, ব্যৱহাৰৰ বাবে সাজু হৈ উঠা ছুইমিং পুলটোৰ কাষতে সাঁতোৰ আৰু বেডমিণ্টন খেলুৱৈৰ বাবে ১০০খন বিছনাযুক্ত হোষ্টেল আৰু ক্ৰিকেট খেলুৱৈ তথা প্ৰশিক্ষকৰ বাবে ২০০ ব্যক্তি থাকিব পৰা আন এটা হোষ্টেল নিৰ্মাণ কৰি থকা হৈছে। আমিনগাঁৱত নতুন ক্ৰীড়া আন্তঃগাঁথনিৰ নিৰ্মাণকাৰ্য সম্পূৰ্ণ হৈ উঠিলে সৰুসজাইস্থিত অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ লগতে এই নতুন প্ৰকল্পটোতো ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিব পৰা যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ছুইমিং পুলটোৰ পৰিচালনাৰ দায়িত্ব ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ ওপৰত ন্যস্ত কৰা হ’ব। ৪০ গৰাকী প্ৰশিক্ষাৰ্থীয়ে সাঁতোৰৰ উন্নতমানৰ প্ৰশিক্ষণ ল’ব পৰাকৈ এই ছুইমিং পুলটো নিৰ্মাণ কৰা হৈছে আৰু ইয়াত ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সাঁতোৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা যাব। পৰিদৰ্শনকালত মুখ্যমন্ত্ৰীয়ে হোষ্টেলকেইটাৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰো বুজ লয়। তদুপৰি, তেওঁ বেডমিণ্টনৰ ৰাষ্ট্ৰীয় উৎকৰ্ষতা কেন্দ্ৰটোও পৰিদৰ্শন কৰে। এই সন্দৰ্ভত তেওঁ কয় যে আমিনগাঁৱৰ এই বেডমিণ্টন কেন্দ্ৰটোৰ পৰা ইতিমধ্যে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বেডমিণ্টন খেলুৱৈ সৃষ্টি হৈছে। এই কেন্দ্ৰটো ৰাষ্ট্ৰীয় পৰ্যায়ৰ এটা অন্যতম উৎকৰ্ষতাৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰী ড° শৰ্মাই সদৰী কৰে যে আমিনগাঁওস্থিত কামৰূপ জিলাৰ জিলা আযুক্ত কাৰ্যালয়কে ধৰি ক্ৰিকেট ষ্টেডিয়াম তথা ছুইমিং পুলটোৰ সমীপৰে এটা পথ নিৰ্মাণ কৰা হ’ব আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা এই পথটোৰে আই আই টি গুৱাহাটীলৈ যাতায়াত সম্ভৱ হৈ উঠিব। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° শৰ্মাই আমিনগাঁৱত থকা পৰিদৰ্শন বঙলাটো পৰিদৰ্শন কৰি ইয়াক অধিক সুন্দৰ আৰু আকৰ্ষনীয় কৰাৰ বাবে যাৱতীয় পৰামৰ্শ প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ এই পৰিদৰ্শনকালত বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, লোকনিৰ্মাণ, ক্ৰীড়া আদি সংশ্লিষ্ট বিভাগসমূহৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।



**Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: ssplghy@gmail.com**

**Editor: Raghabendra Narayan Dutta Baruah**